Content includes AI-generated material

www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

FRIDAY, FEBRUARY 28, 2025 ■ শুকুৰবাৰ, ১৫ ফাগুন, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ৬৩ Guwahati, Assam || মূল্যঃ এটকা

**নলবাৰীৰ উন্নয়নত বিফল মন্ত্ৰী জয়ন্ত মল্ল!**



বিতং বাতৰি ৪ পৃষ্ঠাত

## দিল্লীত প্ৰদেশ কংগ্ৰেছৰ নেতৃত্বৰে খাৰ্গে-ৰাহুলৰ গুৰুত্বপূৰ্ণ বৈঠক

# ভূপেন বৰাৰ নেতৃত্বতে হ'ব ২০২৬ৰ নিৰ্বাচনী যুঁজ



■ **সকলো বিৰোধী দলক একেলগে লৈ আগবাঢ়ি যোৱাৰ মন্ত্ৰণা, তিনি মাহৰ বিশেষ ৰণনীতি প্ৰস্তুত!**

**ই-সংবাদ, ২৭ ফেব্ৰুৱাৰীঃ** জল্পনা-কল্পনাৰ অৱসান ঘটাই ভূপেন বৰাৰ নেতৃত্বতে ২০২৬ চনত অসমত নিৰ্বাচন খেলিবলৈ সাজু হৈছে কংগ্ৰেছৰ দিল্লীৰ হাইকমাণ্ড। অসমত সঘনাই প্ৰদেশ কংগ্ৰেছৰ সভাপতি সলনি কৰি গৌৰৱ ৫ পৃষ্ঠাত চাওক




## মহানগৰীত দুৰ্ঘটনাত নিহত আৰক্ষী বিষয়া

**ই-সংবাদ, ২৭ ফেব্ৰুৱাৰীঃ** কটকটীয়া নিৰাপত্তাৰ মাজত এডভাণ্টেজ ৩ পৃষ্ঠাত চাওক

## ৰাজস্থানত অঘটন উত্তপ্ত হ'ল বিজেপিৰ অফিচ

**জয়পুৰ, ২৭ ফেব্ৰুৱাৰীঃ** এক অপ্ৰীতিকৰ পৰিস্থিতিৰ সাক্ষী হ'ল ৪ পৃষ্ঠাত চাওক



## জীৱন নাট সামৰি গ'লগৈ মেহতাব

**ই-সংবাদ, ২৭ ফেব্ৰুৱাৰীঃ** কেইবাখনো কালজয়ী-যুগজয়ী অসমীয়া ৩ পৃষ্ঠাত

## ৪৫ দিনীয়া 'মহাকুম্ভ'ৰ অন্ত

**প্ৰয়াগৰাজ, ২৭ ফেব্ৰুৱাৰীঃ** অন্ত পৰিল ৪৫ দিনীয়া মহা আয়োজন শেষাংশ ৪ পৃষ্ঠাত

এডভাণ্টেজ আছামৰ মাজতে অঘটন

## 'স্মাৰ্ট চিটি'ৰ চেহেৰা উদঙাই এইবাৰ গুৱাহাটীৰ পাণ্ডুত ফুটিল পাইপ



**ই-সংবাদ, ২৭ ফেব্ৰুৱাৰীঃ** ঝুমুৰ নৃত্যৰ ৰেকৰ্ড, বিনিয়োগ সন্মিলন এডভাণ্টেজ আছাম ২.০ ত বিনিয়োগৰ ৰেকৰ্ড গঢ়াৰ ৪ পৃষ্ঠাত চাওক

তামিল-তেলেগুহে চলিব দাক্ষিণাত্যত!

## 'হিন্দী নীতি'ৰ বিৰুদ্ধে সৰৱ তামিলনাডুৰ মুখ্যমন্ত্ৰী

**চেন্নাই, ২৭ ফেব্ৰুৱাৰীঃ** আকৌ হিন্দী ভাষাৰ বিৰুদ্ধে সৰৱ হৈ পৰিছে তামিলনাডুৰ মুখ্যমন্ত্ৰী এম কে ষ্টেলিন। কেন্দ্ৰীয় চৰকাৰে হিন্দী ভাষা জাপি দিয়াৰ প্ৰবল ২ পৃষ্ঠাত চাওক

**হিন্দীয়ে এটা এটাকৈ নিঃশেষ কৰি গৈছে ভাৰতৰ বহু আঞ্চলিক ভাষাঃ এম কে ষ্টালিন**


## মেট্ৰিক পৰীক্ষাত বহিল বিশ্ববিদ্যালয়ৰ ছাত্ৰ

ভৱানীপুৰত ভুৱা পৰীক্ষাৰ্থী



**ই-সংবাদ, ভৱানীপুৰ, ২৭ ফেব্ৰুৱাৰীঃ** ভৱানীপুৰ আৰক্ষী চকীৰ অন্তৰ্গত দাঁতিৰবড়ী-কৰাগাড়ী শেষাংশ ৫ পৃষ্ঠাত

## 'ৰাজনীতি'ৰ পৰা একেকোবে পৰীক্ষাৰ প্ৰশ্ন কাকত পালেগৈ হিন্দু-মুছলমান!



**ই-সংবাদ, ২৭ ফেব্ৰুৱাৰীঃ** আজি অনুষ্ঠিত হৈ যোৱা সমাজ বিজ্ঞানৰ পৰীক্ষাত ধৰ্মভিত্তিক প্ৰশ্নক লৈ শেষাংশ ৩ পৃষ্ঠাত






প্ৰথম পৃষ্ঠাৰ পৰা...

# 'স্মাৰ্ট চিটি'ৰ চেহেৰা উদঙাই এইবাৰ

লগতে গুৱাহাটীত নিজে নিজেই গঢ় লৈছে আন এক ৰেকৰ্ড। সেয়া হৈছে পানীৰ পাইপ ফুটাৰ ৰেকৰ্ড। ঝুমুৰ নৃত্যৰ ৰেকৰ্ড, বিনিয়োগৰ ৰেকৰ্ডৰ সমানে সমানে পানীৰ পাইপ ফুটি জলপ্ৰলয় সংঘটিত হোৱাৰ অভিলেখ গঢ়িছে। চৰকাৰে ইটোৰ পিছত সিটো ৰেকৰ্ড গঢ়াৰ দাবী কৰাৰ সময়তে পানীৰ পাইপ ফাটি ৰেকৰ্ডৰ সৃষ্টি কৰিছে। গুৱাহাটীবাসীক বিশুদ্ধ খোৱাপানী যোগানৰ বাবে গেমনে বহুওৱা পানীৰ পাইপ এতিয়া যেতিয়াই তেতিয়াই য'তে-ত'তে ফুটে। ফলত যেতিয়াই-তেতিয়াই হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হয়। ২৩ ফেব্ৰুৱাৰীত মহানগৰীৰ বৰবাৰীত বিস্ফোৰণ সংঘটিত হোৱাৰ পিছতে এইবাৰ মালিগাঁৱৰ পাণ্ডুত অবৰ্ণনীয় পৰিস্থিতিৰ সৃষ্টি হয়। ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত খানাপাৰাত অনুষ্ঠিত দুদিনীয়া বিনিয়োগ সন্মিলন এডভাণ্টেজ আছামত ৰাজ্য চৰকাৰে অসমত উন্নয়ন, প্ৰগতিৰ শ্ল'গান দিলেও কেইটামান ঘণ্টাৰ পিছতে যেন উন্নয়নৰ স্বৰূপ ওলাই পৰিল। মাহেকে-পযেকে গুৱাহাটীত গেমনে বহুওৱা পানীৰ পাইপ ফুটি মানুহৰ জীৱন-সম্পত্তি নষ্ট হোৱাৰ দৰেই এডভাণ্টেজ আছামৰ সামৰণি পৰাৰ মাথোঁ ১৮ ঘণ্টা পিছতে আজি দুপৰীয়া গুৱাহাটীৰ পাণ্ডুত পানীৰ পাইপ ফাটি হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হয়। মালিগাঁৱৰ পাণ্ডুৰ কেবিনত আজি দুপৰীয়া ভাগত হঠাতে পাইপ ফাটি পানীৰ ফোৱাৰা বহু ওপৰলৈ উঠে। হঠাতে জল বিস্ফোৰণৰ ফলত জলপ্ৰলয় হোৱাত আতংকৰ সৃষ্টি হয়। প্ৰায় ২০ ফুট ওপৰলৈ পানীৰ ফোৱাৰা ওপৰলৈ উঠাত সমীপৰ বাসগৃহত পানী সোমায়। লগতে কেইবাখনো দোকান আৰু যান-বাহনৰ ক্ষতি হয়। কিন্তু কোনো লোক হতাহত হোৱাৰ খবৰ পোৱা হোৱা নাই। লগে লগে অঞ্চলটোত হুৱাদুৱা লাগে। স্থানীয় লোকে বিভাগৰ লোক আৰু প্ৰশাসনক খবৰ দিছিল যদিও প্ৰায় ডেৰ ঘণ্টা পৰ্যন্ত গেমন, বিভাগে পানীৰ অপব্যয় ৰোধ কৰিবলৈ সক্ষম হোৱা নাছিল। পানীৰ পাইপ ফাটি ক্ষতিসাধন হোৱা দোকানী কেইজনক ক্ষতিপূৰণ দিয়াৰ দাবী জনাইছে স্থানীয় ৰাইজে। ৰাজ্য চৰকাৰ, জনস্বাস্থ্য কাৰিকৰী বিভাগ, গেমন আৰু গুৱাহাটী জলবৰ্ডৰ গাফিলতিৰ বাবে বাৰে বাৰে পানীৰ পাইপ ফাটি ধন-জনৰ ক্ষতি হৈ আহিছে। ইয়াৰ পূৰ্বে ২৩ ফেব্ৰুৱাৰীত মহানগৰীৰ বৰবাৰীত জল বিস্ফোৰণ ঘটিছিল। বৰবাৰীত পানীৰ পাইপ ফাটি ক্ষতিসাধন হয় কেইবাখনো ব্যৱসায় প্ৰতিষ্ঠানৰ। তাৰ পূৰ্বে ২ জানুৱাৰীত গুৱাহাটীৰ খাৰঘুলিত পানীৰ পাইপ ফুটি হাহাকাৰ লাগিছিল। ফলত বৃহৎ ক্ষতিসাধন হৈছিল। বিগত দুটা বছৰত গুৱাহাটীত বাৰে বাৰে পানীৰ ফাইপ ফুটি আতংকৰ সৃষ্টি কৰি আহিছে। কিন্তু চৰকাৰে এই দুৰ্ঘটনা ৰোধ কৰিবলৈ কোনো ব্যৱস্থা লোৱা নাই বুলি অভিযোগ উত্থাপন হৈ আহিছে। কিন্তু চলিত বিধানসভাৰ বাজেট অধিৱেশনত ১৯ ফেব্ৰুৱাৰীত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই গুৱাহাটীৰ পানীৰ পাইপ ফুটা বিষয়টোক লৈ উত্তৰ দি কয় যে গুৱাহাটী আইআইটিৰ পৰামৰ্শ মতে ট্ৰেন্সমিচন লাইনত ৰ'বটিক চাৰ্ভে পৰ্যন্ত কৰিছো। ক'ত ক'ত পানীৰ পাইপৰ জইনত খেলিমেলি আছে, ক'ত লিকেজ হ'ব পাৰে, জইনিং হোল বিলাকত ৱেল্ডিং কম আছিল নেকি তাৰে ৰিপৰ্ট সাজু হৈছে। তেনে জইন ১২টা ধৰা পৰা বুলিও কয়। উইক থকাখিনি ৰিপিয়েৰিং কৰিব দিছো বুলিও কয় মন্ত্ৰী বৰুৱাই। উল্লকযোগ্য যে গুৱাহাটী মহানগৰীত প্ৰায়ে পানী পৰিবাহী পাইপ ফুটি বিস্তৰ ধন-জনৰ ক্ষতি হৈ আহিছে যদিও চৰকাৰ-প্ৰশাসনে গা এৰা মন্তব্য দি আহিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# 'হিন্দী নীতি'ৰ বিৰুদ্ধে সৰৱ

বিৰোধিতাৰে আকৌ এবাৰ মোদী চৰকাৰক আক্ৰমণ কৰে ষ্টেলিনে। বৃহস্পতিবাৰে তেওঁ অভিযোগ কৰে যে হিন্দী বলপূৰ্বক জাপি দিয়াৰ ফলত যোৱা এটা শতিকাত ২৫টা উত্তৰ ভাৰতীয় আঞ্চলিক ভাষা হেৰাই গৈছে। অৱশ্যে মুখ্যমন্ত্ৰীগৰাকীৰ এই অভিযোগৰ পিছতে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি এই অভিযোগ খাৰিজ কৰে বিজেপিয়ে। ষ্টেলিনে কয়, "একক হিন্দী পৰিচয় জাপি দিয়া কাৰ্যই প্ৰাচীন ভাষাক হত্যা কৰি আছে। উত্তৰ প্ৰদেশ আৰু বিহাৰ কেতিয়াও 'হিন্দী হৃদয়ভূমি' নাছিল, তেওঁলোকৰ মূল ভাষা এতিয়া ইতিহাসৰ পৃষ্ঠাত হেৰাই গৈছে।" বৃহস্পতিবাৰে পুৰা এক্সত পোষ্ট কৰি তেওঁ কেন্দ্ৰীয় চৰকাৰক লক্ষ্য কৰি লয়। তেওঁৰ দাবী, "ভাষা এটাক আক্ৰমণ কৰাৰ উদ্দেশ্য হৈছে জাতি আৰু সংস্কৃতি ধ্বংস কৰা।" ডিএমকে নেতাগৰাকীয়ে লগতে অভিযোগ কৰে যে যদিও কেন্দ্ৰীয় চৰকাৰে যিকোনো ভাষা শিকাৰ সুযোগ বিদ্যালয়ৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰাৰ প্ৰতিশ্ৰুতি দিছে, বাস্তৱত তামিল শিকাৰ সুযোগ প্ৰদান কৰা হোৱা নাই। ষ্টেলিনে এক্স হেণ্ডেলত কৰা পোষ্টত লিখিছে, "আপুনি কেতিয়াবা ভাবিছেনে হিন্দীয়ে কিমান ভাৰতীয় ভাষা গিলি পেলাইছে? ভোজপুৰী, মৈথিলী, তেলেগু, ব্ৰজ, বুণ্ডেলী, গড়ৱালি, কুমাওনী, মগধী, মাৰোৱাৰী, মালৱী, ছত্তীশগড়ী, সান্তলী, অংগিকা, হো, খৰিয়া, খোৰ্ঠা, কুৰমালী, কুৰুখ, মুণ্ডাৰী আদি আৰু বহুতো ভাষা হিন্দীৰ গ্ৰাসত অস্তিত্বৰ সংকটত ভুগিছে।" ষ্টেলিনে অভিযোগ কৰি কয়, "একক হিন্দী পৰিচয় জাপি দিয়া কাৰ্যই প্ৰাচীন মাতৃভাষাক হত্যা কৰি আছে। উত্তৰ প্ৰদেশ আৰু বিহাৰ কেতিয়াও কেৱল 'হিন্দী হৃদয়ভূমি' নাছিল। তেওঁলোকৰ মূল ভাষাসমূহ এতিয়া কেৱল অতীতৰ স্মৃতি।" ইফালে তামিলনাডুৰ মুখ্যমন্ত্ৰীগৰাকীয়ে অভিযোগ কৰে যে ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ তিনিটা ভাষাৰ সূত্ৰৰ অধীনত প্ৰায়বোৰ ৰাজ্যতে সংস্কৃতক অগ্ৰাধিকাৰ দিয়া হৈছে, য'ত ছাত্ৰ-ছাত্ৰীৰ বাবে নিজৰ মাতৃভাষা, ইংৰাজী আৰু তৃতীয় ভাষা শিকিবলৈ বাধ্যতামূলক কৰা হৈছে। ষ্টেলিনে কয়, "আন্দামানৰ বাহিৰে ক'তো তামিল পাঠদান নহয়। কেন্দ্ৰীয় বিদ্যালয়ত (কেন্দ্ৰীয় চৰকাৰৰ অধীনত থকা বিদ্যালয়) তামিল শিক্ষক নাই।" তেওঁ পুনৰ কয়, "কেন্দ্ৰীয় শিক্ষামন্ত্ৰীয়ে নিজেই কৈছে যে এখন বিদ্যালয়ৰ কমেও ১৫ জন ছাত্ৰ-ছাত্ৰীয়ে তামিল ভাষা ল'বলৈ সন্মতি দিলেহে শিক্ষক নিযুক্তি দিয়া হ'ব। অৱশ্যে তিনি ভাষাৰ নীতিৰ অধীনত সংস্কৃতক সৰ্বোচ্চ অগ্ৰাধিকাৰ দিয়া হৈছে। অৱশ্যে দ্ৰাবিড় আন্দোলনে তামিল ভাষাক সুৰক্ষা প্ৰদান কৰিছে।" তাৰ পাছত ৰাজস্থানৰ উদাহৰণ দি মুখ্যমন্ত্ৰীয়ে কয়, "উৰ্দু শিক্ষকৰ ঠাইত সংস্কৃত শিক্ষক নিযুক্তি দিয়া হৈছে। প্ৰধানমন্ত্ৰী মোদীক সুধিব, মহাকুম্ভ আৰু তামিল সংগমৰ সময়ত দক্ষিণ ভাৰতীয় ভাষাত কিমান চাইনবৰ্ড লগোৱা হৈছিল?" হিন্দী উত্তৰ প্ৰদেশৰ মাতৃভাষা কেতিয়াও নাছিল বুলি দাবী কৰি কয়, "উত্তৰ প্ৰদেশত ভোজপুৰী আৰু বুন্দেলখণ্ডী ভাষা আজি হেৰাই গৈছে। উত্তৰাখণ্ডে হেৰুৱাইছে কুমাওনী। ৰাজস্থান, হাৰিয়ানা, বিহাৰ আৰু ছত্তীশগড়ৰ বহু ভাষা আজি বিলুপ্তিৰ পথত।" লক্ষ্যণীয় যে, তামিলনাডুৰ মুখ্যমন্ত্ৰী এম কে ষ্টেলিনৰ এই মন্তব্যই পুনৰ কেন্দ্ৰ আৰু দক্ষিণ ভাৰতৰ ৰাজ্যসমূহৰ মাজত ভাষা নীতিক লৈ সংঘাতৰ সৃষ্টি কৰিছে। ১৯৬৭ চনৰ পৰাই তামিলনাডুৱে হিন্দী ভাষা ৰাজ্যত বাধ্যতামূলক কৰাৰ বিৰুদ্ধে আপত্তি দৰ্শাই আহিছে। শেহতীয়াকৈ কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে তামিলনাডুৱে নতুন শিক্ষা নীতি সম্পূৰ্ণৰূপে কাৰ্যকৰী নকৰিলে ৰাজ্যলৈ আবণ্টিত ২১৫০ কোটি টকা স্থগিত ৰখাৰ হুংকাৰ দিয়াৰ পিছতে ভাষা বিতৰ্ক পুনৰ তীব্ৰতৰ হৈ পৰে। এই সন্দৰ্ভত মুখ্যমন্ত্ৰী ষ্টেলিন আৰু উপ-মুখ্যমন্ত্ৰী উদয়নিধি ষ্টেলিনে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি আহিছে। তেওঁলোকে কেন্দ্ৰীয় চৰকাৰৰ বিৰুদ্ধে 'ব্লেকমেইল'ৰ অভিযোগ উত্থাপন কৰি স্পষ্ট কৰি দিছে যে তামিলনাডু নতুন 'ভাষা যুদ্ধ'ৰ বাবে সাজু আছে। লক্ষ্যণীয় যে, এই সন্দৰ্ভত শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে প্ৰদান কৰা এক সাক্ষাৎকাৰত কয়, "ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ ক'তো কোনো ভাষা জাপি দিয়াৰ কথা উল্লেখ কৰা হোৱা নাই। তামিলনাডু চৰকাৰে ইচ্ছাকৃতভাৱে ৰাজনৈতিক স্বাৰ্থৰ বাবে বিভ্ৰান্তিকৰ তথ্য বিয়পাইছে।" ইফালে ভাষা বিতৰ্কৰ মাজতে তামিলনাডুৰ ৰাজনীতিত সংঘটিত হৈছে এক বৃহৎ পৰিৱৰ্তন। বিজেপি প্ৰবীণ নেত্ৰী তথা অভিনেত্ৰী ৰঞ্জনা নাচিয়াৰে দল ত্যাগ কৰি অভিনেতা বিজয়ৰ দল 'তামিলাগা ভেত্ৰী কাঝাগাম'ত যোগদান কৰাৰ পিছতে দক্ষিণ ভাৰতৰ ৰাজ্যখনত থৰকবৰক হৈছে হিন্দী বলয়ৰে পুষ্ট ভাৰতীয় জনতা পাৰ্টিৰ ভেটি। আনহতে ৰাজ্যখনত ভাষা বিতৰ্কক লৈ কেন্দ্ৰীয় চৰকাৰ আৰু ডিএমকেৰ চৰকাৰৰ মাজত অব্যাহত থকা সংঘাত সন্দৰ্ভত প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে তামিলাগা ভেত্ৰী কাঝাগামৰ মুৰব্বী বিজয়েও। তেওঁ কয়, "ডিএমকে আৰু বিজেপিৰ এই যুঁজখন মঞ্চস্থ নাটক। তেওঁলোকে কেৱল ৰাষ্ট্ৰীয় শিক্ষা নীতি আৰু তিনিভাষিক নীতিৰ নামত ৰাজনৈতিক উদ্দেশ্য পূৰণ কৰিছে।"

প্ৰথম পৃষ্ঠাৰ পৰা...

# জীৱন নাট সামৰি গ'লগৈ মেহতাব

লছবি, ধাৰাবাহিক অভিনয় কৰা অসমীয়া অভিনয়জগতক সমৃদ্ধ কৰা বিশিষ্ট অভিনেতা মেহতাব হুছেইন আৰু নাই। আজি গুৱাহাটীৰ এখন ব্যক্তিগত নাৰ্ছিং হোমত চিকিৎসাধীন অৱস্থাত ৭৫ বছৰ বয়সত মৃত্যুক আঁকোৱালি লয়। তেওঁ দীৰ্ঘদিন ধৰি ৰোগাক্ৰান্ত হৈ থকাত চিকিৎসা গ্ৰহণ কৰি আছিল যদিও চিকিৎসাধীন অৱস্থাত শেষ নিশ্বাস ত্যাগ কৰে। তেওঁৰ পিতৃৰ ঘৰ ডিব্ৰুগড় সদৰত আছিল যদিও ডিব্ৰুগড় সদৰৰ পৰা গুৱাহাটীৰ চানমাৰিলৈ আহিছিল। পিছলৈ চানমাৰিৰ নৰগিৰি অঞ্চলত স্থায়ীভাৱে বাস কৰিছিল। মেহতাব হুছেইন অসমৰ প্ৰথমগৰাকী চাহ বিজ্ঞানৰ স্নাতক আছিল। এগৰাকী বলিষ্ঠ অভিনেতা হৈও অতি সহজ-সৰল, অমায়িক ব্যৱহাৰেৰে মানুহক আপ্লুত কৰিছিল। পঢ়াকালৰ পৰাই মেহতাব হুছেইনৰ অভিনয়ৰ প্ৰতি ধাউতি আছিল। কলেজীয়া কালতে ছবি, ধাৰাবাহিকত অভিনয় কৰাৰ সুযোগ লাভ কৰে। ব্যৱসায় কৰাৰ লগতে অভিনয় জগতত সক্ৰিয়ভাৱে জড়িত আছিল। তেওঁ অসমীয়া ছবি নিৰ্মাণৰ বাবে আগৰণুৱা আছিল। গুৱাহাটী দূৰদৰ্শনৰ খুহুতীয়া 'খিচিৰি'ত কৌতুক অভিনেতা হিচাপে সুন্দৰ অভিনয় কৰি দৰ্শকৰ মন জয় কৰিছিল। ১৯৭৫ চনৰ ফেব্ৰুৱাৰীত মুক্তি লাভ কৰা বিশিষ্ট ছবি নিৰ্মাতা পুলক গগৈৰ 'খোজ' আৰু চন্দ্ৰ তালুকদাৰৰ 'জেতুকী' ছবিৰ নায়ক আছিল মেহতাব হুছেইন। নিজে প্ৰযোজনা আৰু পৰিচালনা কৰা খুহুতীয়া ধাৰাবাহিক 'মিতাৰ তিতা-মিঠা' গুৱাহাটী দূৰদৰ্শনত জনপ্ৰিয় হৈছিল। ধাৰাবাহিক 'খিচিৰি'ৰ অভিনয় শ্ৰোতাই আঁকোৱালি লৈছিল। 'খোজ' ছবিৰ সহঃপ্ৰযোজক আছিল। ড০ ভূপেন হাজৰিকা সুৰাৰোপিত 'খোজ' ছবিৰ গীতবোৰ এতিয়াও শ্ৰোতাৰ মাজত জনপ্ৰিয়। ড০ ভূপেন হাজৰিকা আৰু ঊষা মঙ্গেশকাৰৰ কণ্ঠত গোৱা 'জিলমিলিয়া কোমল বালি', 'তাহানিৰ কাহিনী কিয় শুনালি' গীতত অভিনয় কৰিছিল হুছেইনে। এই গীতৰ চিত্ৰায়ণ আছিল অপূৰ্ব। মেহতাব হুছেইনে আনোৱাৰ হুছেইন পৰিচালিত 'শ্ৰীশ্ৰী মা কামাখ্যা' আৰু গৌৰী বৰ্মন পৰিচালিত 'অকণ' ছবিত অভিনয় কৰিছিল। মেহতাব আছিল প্ৰখ্যাত চিকিৎসক, পদ্মশ্ৰী সন্মান প্ৰাপক ডা০ জাকিৰ হুছেইনৰ কনিষ্ঠ ভাতৃ। মৃত্যুৰ সময়ত হুছেইনে জ্যেষ্ঠ ভাতৃ বিশিষ্ট চিকিৎসক জাকিৰ হুছেইন, পত্নী-পুত্ৰ আৰু কন্যাক এৰি যায়। কেইবাখনো ছবিৰ নায়ক আৰু ধাৰাবাহিকত খুহুতীয়া অভিনয়ৰে দৰ্শকৰ মন জয় কৰা মেহতাব কা নামেৰে জনপ্ৰিয় হুছেইনৰ মৃত্যুত অসমীয়া ছবি জগতত শোকৰ ছাঁ পৰে। ছবি নিৰ্মাতা, পৰিচালক, অভিনেতা-অভিনেত্ৰীয়েও শোক প্ৰকাশ কৰে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# 'ৰাজনীতি'ৰ পৰা একেকোবে পৰীক্ষাৰ

ৰাজ্যত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। সমাজ বিজ্ঞানৰ পৰীক্ষাত সংবিধানৰ মৌলিক নীতি বিৰুদ্ধে এটা প্ৰশ্নৰ উত্তৰ ছাত্ৰক দিবলৈ কোৱা হৈছে বুলি অভিযোগ উত্থাপন হৈছে। আজি অনুষ্ঠিত হোৱা মেট্ৰিকৰ সমাজ বিজ্ঞানৰ পৰীক্ষাত এটা প্ৰশ্নক ধৰ্মীয় বিভাজন সৃষ্টিকাৰী আৰু সংবিধান বিৰোধী বুলি অভিযোগ উঠিছে। প্ৰশ্নটোত কোৱা হৈছে যে ধৰি লোৱা হ'ল ডাম্বুক নামৰ গাঁওখনত এটা চৰকাৰী চিকিৎসালয় স্থাপন কৰা হৈছে। চিকিৎসালয়খনত হিন্দু ধৰ্মাৱলম্বীসকলক বিনামূলীয়া চিকিৎসা সেৱা প্ৰদান কৰা হয়। অন্য ধৰ্মৰ লোকে চিকিৎসাৰ খৰচ নিজে বহন কৰিবলগীয়া হয়। ভাৰতৰ দৰে দেশত চৰকাৰে তেনে ব্যৱস্থা গ্ৰহণ কৰিব পাৰে নে? এই প্ৰশ্ন কৰি পৰীক্ষাৰ্থীৰ মতামত দাঙি ধৰিব দিয়া হৈছে। বৰ্ণনা কৰিব পাৰিলে পৰীক্ষাৰ্থীজনে লাভ কৰিব ৩ নম্বৰ। বিজেপি দল আৰু চৰকাৰৰ হিন্দু ৰাষ্ট্ৰৰ এজেণ্ডাক আগত ৰাখি এনে প্ৰশ্ন কৰা হৈছে বুলি অভিযোগ উত্থাপন হৈছে। টুইটাৰ আৰু ফেচবুকত এই প্ৰশ্নটো লৈ তীব্ৰ সমালোচনা কৰা হৈছে চৰকাৰক। নেটিজেনসকলে শিক্ষা ব্যৱস্থাত ৰাজনৈতিক এজেণ্ডা সুমুৱাই দিয়াৰ অভিযোগ কৰিছে। ছাত্ৰক এটা বিশেষ আদৰ্শৰ সৈতে পৰিচিত কৰিবলৈ এনে প্ৰশ্ন সোধাৰ অভিযোগ উঠিছে। একাংশ অভিভাৱক আৰু সচেতন লোকে এনে প্ৰশ্নৰ জৰিয়তে ধৰ্মভিত্তিক বৈষম্যক স্বাভাৱিকীকৰণ কৰাৰ চেষ্টা হৈছে বুলি কয়। এই প্ৰশ্নটোৰে ছাত্ৰক বিভাজনমূলক দৃশ্যপটৰ সৈতে পৰিচয় কৰাইছে। ইয়াৰ দ্বাৰা ছাত্ৰৰ মনত ধৰ্মীয় পক্ষপাতিত্বৰ সৃষ্টি হ'ব পাৰে তদুপৰি একাংশ সামাজিক সংগঠনে সামাজিক মাধ্যম যোগে এয়া অশোভনীয়, সমাজ বিৰোধী আখ্যা দিছে। পাঠ্যক্ৰমত সংবিধানৰ মূল্যবোধৰ পৰিপন্থী উদাহৰণ সন্নিৱিষ্ট কৰা হৈছে। শিক্ষাক্ষেত্ৰত ধৰ্মনিৰপেক্ষতা ৰক্ষা কৰাটো বাধ্যতামূলক যদিও চৰকাৰে জানি-বুজি এনে প্ৰশ্ন কৰি ছাত্ৰ সমাজক কোমল মনৰ অধিকাৰী হৈ থকাৰ সময়তে ঘৃণাৰ পৃথিৱীৰ সৈতে পৰিচিত কৰিব খোজাৰ গুৰুতৰ অভিযোগ উঠিছে। ইয়াৰ দ্বাৰা ভাৰতৰ সংবিধানৰ অনুচ্ছেদ ১৪ৰ সমতাৰ অধিকাৰ আৰু অনুচ্ছেদ ১৫ত ধৰ্ম, বৰ্ণ আদিৰ ভিত্তিত বৈষম্য নিষিদ্ধৰ কথা উল্লেখ আছে। ইয়াৰ স্পষ্ট উলংঘা হৈছে। এনে প্ৰশ্ন ছাত্ৰ-ছাত্ৰীসকলক ভাৰতীয় গণতন্ত্ৰৰ মৌলিক নীতিৰ বিপৰীতে কৰা হৈছে। শিক্ষা বিভাগ তথা পৰীক্ষা বৰ্ডে কোনো প্ৰতিক্ৰিয়া প্ৰকাশ কৰা নাই।

প্ৰথম পৃষ্ঠাৰ পৰা...

# মহানগৰীত দুৰ্ঘটনাত নিহত আৰক্ষী

আছাম ২.০ৰ সামৰণি পৰাৰ পিছতে ভয়ংকৰ পথ দুৰ্ঘটনাত এগৰাকী আৰক্ষী বিষয়া নিহত হোৱাৰ ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। শিৱৰাত্ৰিৰ নিশা মহানগৰীৰ ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ লালমাটিত এখন দ্ৰুতবেগী বাহনৰ খুন্দাত ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া নিহত হয়। নিহত ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াজন বিৰিঞ্চি কুমাৰ দাস বুলি জানিব পৰা গৈছে। নলবাৰী জিলাৰ ঘগ্ৰাপাৰ আৰক্ষী থানাত কৰ্মৰত বিৰিঞ্চি কুমাৰ দাসে ছুটীত ঘৰলৈ আহিছিল যদিও নিশা প্ৰায় ২ বজাত পথ দুৰ্ঘটনাত পতিত হৈ কৰুণ মৃত্যুক আঁকোৱালি লয়। মাতৃৰ ২৫ দিন পূৰ্বে মৃত্যু হোৱাত এমাহৰ ছুটী লৈ গুৱাহাটীৰ ঘৰত আছিল। কালি নিশা শিৱৰাত্ৰি উপলক্ষে পূজা কৰি নিশা প্ৰায় ২ বজাত এখন স্কুটীৰে গেম ভিলেজৰ ঘৰলৈ আহি থকাৰ সময়তে এখন ছুইফটে খুন্দা মাৰে। ৰাষ্ট্ৰীয় ঘাইপথ পাৰ হ'বলৈ ধৰাৰ সময়তে ছুইফটখনে স্কুটীখনত প্ৰচণ্ড জোৰে খুন্দা মাৰে। তীব্ৰ বেগী ছুইফটখনে খুন্দা মাৰি বহু দূৰ স্কুটীখন চোঁচোৰাই নিয়াত মূৰ, বুকু, হাত, ভৰিৰ পৰা অত্যধিক ৰক্তক্ষৰণ হয়। ফলত কিছু সময় পাছতে আৰক্ষী বিষয়াজনৰ মৃত্যু হয়। নিশা একাংশ লোকে মুমূৰ্ষু অৱস্থাত আৰক্ষী বিষয়া দাসক চিকিৎসালয়ত ভৰ্তি কৰাইছিল যদিও চিকিৎসকে ইতিপূৰ্বে মৃত্যু হোৱা বুলি উল্লেখ কৰে। নিশা প্ৰায় ২.৩০ বজাত বশিষ্ঠ আৰক্ষীয়ে খবৰ লাভ কৰিছিল। লগে লগে এখন গাড়ীৰে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়লৈ নিয়ে। সেই নিশাই ঘগ্ৰাপাৰ আৰক্ষীয়ে খবৰ লাভ কৰিছিল। নিশা ৩ বজাত বিৰিঞ্চি কুমাৰ দাসক ফোন কৰে ঘগ্ৰাপাৰ আৰক্ষীয়ে। দাসৰ ফোনটো বশিষ্ঠ আৰক্ষীৰ কনিষ্ঠবলে ধৰে আৰু কয় যে দুৰ্ঘটনাত পতিত হৈ দাস নিহত হৈছে। মানৱ দৰদী আছিল বিৰিঞ্চি কুমাৰ দাস। বহু লোকৰ সৈতে বন্ধুত্বপূৰ্ণ সম্পৰ্ক ৰক্ষা কৰাৰ লগতে দুখীয়া-দৰিদ্ৰ লোকক সহায় কৰিছিল। আজি পুৱাৰ ভাগতে আৰক্ষী বিষয়াজনৰ নশ্বৰ দেহ মৰণোত্তৰ পৰীক্ষা কৰা হয়। তাৰ পিছতে নশ্বৰ দেহ গেম ভিলেজৰ আৱাসলৈ অনা হয়। আৱাসত বিভিন্ন গুণমুগ্ধই শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। জানিব পৰা মতে, এএছ-০১ এ ৱাই-৯১০১ ছুইফটখনে লালমাটিত স্কুটীখন মহটিয়াই নিয়াত নিমিষতে চূৰ্ণ-বিচূৰ্ণ হৈ পৰে স্কুটীখন। নিয়ন্ত্ৰণ হেৰুৱাই প্ৰথমে স্কুটীখনত আৰু পাছত ডিভাইডাৰত খুন্দা মাৰে। ঘটনাস্থলীত ছুইফটখন এৰি চালকজনে পলায়ন কৰে। স্থানীয় ৰাইজৰ অভিযোগ মতে, লালমাটিৰ উক্ত স্থানত নিশা প্ৰায়ে প্ৰাণঘাতী দুৰ্ঘটনা সংঘটিত হয়। কিন্তু আৰক্ষীয়ে দুৰ্ঘটনা ৰোধৰ বাবে কোনো ব্যৱস্থা গ্ৰহণ নকৰে। ফলত প্ৰায়ে এনেদৰে মানুহৰ প্ৰাণ হানি হৈ আছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৪৫ দিনীয়া 'মহাকুম্ভ'ৰ অন্ত

মহাকুম্ভ মেলাৰ। উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত একতাৰ মহাযজ্ঞৰ সামৰণিৰ পিছতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গংগা, যমুনা, সৰস্বতী আৰু সাধাৰণ ৰাইজৰ ওচৰত ক্ষমা বিচাৰিলে। একে সময়তে ৪৫ দিনৰ বাবে মহা কুম্ভ মেলাৰ আয়োজন কৰাৰ বাবে উত্তৰ প্ৰদেশৰ যোগী আদিত্যনাথ চৰকাৰক ধন্যবাদ জ্ঞাপন কৰে প্ৰধানমন্ত্ৰীয়ে। কুম্ভমেলাৰ অন্ত পৰাৰ পিছতে বৃহস্পতিবাৰে ছ'চিয়েল মিডিয়াত প্ৰধানমন্ত্ৰীয়ে লিখিছে, "মই জানো যে ইমান ডাঙৰ ধৰ্মীয় অনুষ্ঠানৰ আয়োজন কৰাটো সহজ নহয়।" এই তিনিখন নদীৰ নাম উল্লেখ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, "মই মাতা গংগা, যমুনা আৰু সৰস্বতীক প্ৰাৰ্থনা কৰিছো, আমাৰ পূজাত কিবা ত্ৰুটি ৰৈ গ'লে মোক ক্ষমা কৰিব।" তেওঁ লিখিছে, "যদি তীৰ্থযাত্ৰীসকলৰ সেৱাত কিবা ত্ৰুটি ৰৈ গৈছে, তেন্তে আমাক ক্ষমা কৰিব। লগতে সাধাৰণ ৰাইজৰ ওচৰতো ক্ষমা বিচাৰিছো।" প্ৰধানমন্ত্ৰীয়ে কয় যে কুম্ভৰ দৰে এনে বৃহৎ অনুষ্ঠান পৃথিৱীৰ আন ক'তো কেতিয়াও অনুষ্ঠিত হোৱা নাই। কুম্ভৰ স্মৃতি সকলোৰে সৈতে ভাগ কৰি তেওঁ লিখিছে, "মই পাহৰিব নোৱাৰো সেই ছবিবোৰ, পবিত্ৰ স্নানৰ পিছত মুখবোৰত অনাবিল প্ৰশান্ত আৰু সন্তুষ্টি ফুটি উঠা দেখিছিলো।" একে সময়তে উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথক এই আয়োজনৰ বাবে প্ৰশংসা কৰি প্ৰধানমন্ত্ৰীয়ে লিখিছে, "উত্তৰ প্ৰদেশৰ এজন সাংসদ হিচাপে মই ক'ব পাৰো যে যোগী জীৰ নেতৃত্বত চৰকাৰ, প্ৰশাসন আৰু সাধাৰণ ৰাইজে একত্ৰিত হৈ এই মহাকুম্ভক সফল কৰি তুলিছে।" প্ৰধানমন্ত্ৰীয়ে সদ্য সমাপ্ত হোৱা মহাকুম্ভৰ কেইবাখনো ছবিও তেওঁৰ এক্স হেণ্ডেলত শ্বেয়াৰ কৰে। উল্লেখ্য যে, ৪৫ দিনৰ অন্তত আজি সামৰণি পৰিছে মহাকুম্ভ মেলাৰ। এই কুম্ভমেলাৰ সময়ত প্ৰায় ৬৬ কোটি লোকে ত্ৰিবেণী সংগমত পূণ্যস্নান কৰে। বিগত ৪৫ দিনত মহাকুম্ভৰ আইন শৃংখলা, নিৰাপত্তাক লৈও উত্থাপন হৈছে একাধিক প্ৰশ্নৰ। ডজনৰো অধিক বাৰ সংঘটিত অগ্নিকাণ্ড পদতলিত পিষ্ট হৈ ত্ৰিশ জনৰো অধিক লোক নিহত হোৱাৰ ঘটনাই কুম্ভমেলাত উত্তৰ প্ৰদেশ চৰকাৰৰ প্ৰশাসনিক ব্যৱস্থাক লৈ প্ৰশ্নৰ উত্থাপন হৈছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# উত্তপ্ত হ'ল বিজেপিৰ অফিচ

ৰাজস্থান বিজেপিৰ ৰাজ্যিক কাৰ্যালয়। দলীয় বৈঠকত নীতি নিৰ্ধাৰণ কৰাৰ পৰিৱৰ্তে বিজেপি কৰ্মীৰ মাজত হ'ল লাঠি-ঘোচাৰ আদান প্ৰদান। এই ঘটনাৰ ভিডিঅ' সামাজিক মাধ্যমত ভাইৰেল হৈ পৰাৰ পিছতে সৃষ্টি হৈছে তীব্ৰ প্ৰতিক্ৰিয়াৰ। বৃহস্পতিবাৰে ৰাজ্যিক সভাপতি মদন ৰাথোৰৰ উপস্থিতিত বিজেপিৰ সংখ্যালঘু ফ্ৰন্টৰ বৈঠকৰ সময়তে সৃষ্টি হয় এনে অপ্ৰীতিকৰ পৰিস্থিতিৰ। ইফালে এই ঘটনাৰ পিছতে বিজেপিৰ সংখ্যালঘু মৰ্চাৰ ৰাজ্য মহামন্ত্ৰী জাভেদ কুৰেশ্বীক পদৰ পৰা অপসাৰণ কৰা হয়। বিজেপিৰ আনুষ্ঠানিক পত্ৰত উল্লেখ কৰা হৈছে যে ২৭ ফেব্ৰুৱাৰীত জয়পুৰত বিজেপিৰ ৰাজ্যিক কাৰ্যালয়ত সংখ্যালঘু মৰ্চাৰ বৈঠকৰ সময়ত জাভেদ কুৰেশ্বীয়ে বাক-বিবাদত লিপ্ত হৈছিল, যিটো স্পষ্টভাৱে দলীয় অনুশাসনৰ বিৰোধী আছিল। সংখ্যালঘু মৰ্চাৰ ৰাজ্যিক সভাপতি হামিদ খান মেৱতীয়ে পত্ৰখনত উল্লেখ কৰিছে যে দলীয় নিয়ম উলংঘা কৰাৰ বাবে তেওঁক তাৎক্ষণিকভাৱে পদৰ পৰা অপসাৰণ কৰা হৈছে। জানিব পৰা মতে, সমগ্ৰ ঘটনাৰ আৰম্ভণি হৈছিল এজন কৰ্মীৰ সম্ভাষণ জনোৱাৰ এক ঘটনাৰে। অভিযোগ অনুসৰি এজন বিজেপি কৰ্মীয়ে আন এজন কৰ্মচাৰীৰ বিৰুদ্ধে তেওঁক উপযুক্ত সন্মান প্ৰদান নকৰাৰ অভিযোগ উত্থাপন কৰিছিল। ইয়াৰ পিছতে প্ৰথমে তৰ্কাতৰ্কিৰ সৃষ্টি হয় আৰু পিছলৈ পৰিস্থিতি উত্তেজনাপূৰ্ণ হৈ পৰে। ইফালে উপস্থিত দলৰ আন আন নেতাসকলে পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ চেষ্টা কৰেও যদিও কাজিয়া তীব্ৰহে হয়। ৰাজ্যিক সভাপতি মদন ৰাথোৰেও পৰিস্থিতি চম্ভালিবলৈ চেষ্টা কৰে যদিও তেওঁৰ উপস্থিতিও কোনেও গ্ৰাহ্য কৰা নাছিল। বিজেপিৰ দলীয় কাৰ্যালয়ত দলৰে নেতা-কৰ্মীৰ মাজত সৃষ্টি হোৱা সংঘাতে বিজেপিৰ ভিতৰচ'ৰাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

# নলবাৰীৰ উন্নয়নত বিফল জয়ন্ত মল্ল বৰুৱাঃ এজেৱাইচিপি

**ই-সংবাদ, ২৭ ফেব্ৰুৱাৰীঃ** নলবাৰী জিলাত ড্ৰাগছকে ধৰি বিভিন্ন মাদক দ্ৰব্যৰ অবাধ প্ৰচলন চলি থকাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে। ড্ৰাগছকে ধৰি বিভিন্ন মাদক দ্ৰব্যৰ অবাধ প্ৰচলনৰ পিছতো জিলা প্ৰশাসনে কঠোৰ পদক্ষেপ গ্ৰহণ নকৰাত নৱ-প্ৰজন্মক ধ্বংস কৰাৰ কাৰচাজি বুলি সন্দেহ কৰিছে যুৱ ছাত্ৰ পৰিষদে। নলবাৰী চহৰস্থিত জিলা কাৰ্যালয়ত নলবাৰী জিলা সমিতিৰ সভাপতি আচিক আহমেদ আৰু সাধাৰণ সম্পাদক প্ৰাঞ্জল কলিতাই এখন সংবাদমেল সম্বোধন কৰি এনে গুৰুতৰ অভিযোগ উত্থাপন কৰে। নলবাৰীক প্ৰজ্ঞা নগৰী বুলি দোহাৰী দুয়োগৰাকী নেতাই কয় যে নলবাৰীয়ে অতীজৰে পৰা জ্ঞান-বিজ্ঞান, শিক্ষা, সাহিত্য-সংস্কৃতি, ক্ৰীড়া আদিকে ধৰি সকলোতে দক্ষতা প্ৰদৰ্শন কৰিছে। নলবাৰীৰ সমগ্ৰ ৰাজ্যত সুনাম আছে। কিন্তু দুখ আৰু পৰিতাপৰ বিষয় যে বিগত কিছু বৰ্ষত আমাৰ জিলাখনৰ বিভিন্ন প্ৰান্তত ড্ৰাগছকে ধৰি বিভিন্ন মাদক দ্ৰব্যৰ অবাধ প্ৰচলনে আমাৰ নৱ-প্ৰজন্মক ধ্বংস কৰাৰ এক কাৰচাজি চলা যেন অনুভৱ হৈছে। জটিল ৰূপ লৈছে। যাৰ বাবে এইবাৰ নিজেই হাতে-কামে লাগিব যুৱ-ছাত্ৰ পৰিষদৰ নলবাৰী জিলা সমিতি। ড্ৰাগছ নিৰ্মূল জিলা হিচাপে নলবাৰী জিলাক গঢ়ি তোলাৰ প্ৰধান লক্ষ্য লৈছে জাতীয় সংগঠনটোৱে। আজি সংবাদমেলত আচিক আহমেদ আৰু প্ৰাঞ্জল কলিতাই আক্ষেপেৰে কয় যে যুৱ-প্ৰজন্মক সঠিক পথলৈ উভতাই অনাটো আমি আমাৰ দায়িত্ব। সেই দায়িত্ব আমি পালন কৰিম। নলবাৰী জিলাত ক্ৰীড়া প্ৰতিভা আছে। জিলাখনত প্ৰতিভাশালী খেলুৱৈ থকাৰ পিছতো আজি পৰ্যন্ত জিলাখনৰ বহু খেলপথাৰ পৰিত্যক্ত অৱস্থাত, খেলৰ আন্তঃগাঁথনি নিৰ্মাণ নহ'ল। সৰিয়হতলীৰ ষ্টেডিয়াম নিৰ্মাণে আশা কঢ়িয়াই আনিছিল যদিও আজি পৰ্যন্ত সম্পূৰ্ণ হৈ উঠা নাই। গৰ্ডন স্কুল খেলপথাৰত নিৰ্মাণৰত ইনডোৰ ষ্টেডিয়ামৰ নিৰ্মাণ অতি লেহেমীয়া গতিত হোৱাৰ ফলত খেলুৱৈসকলৰ সমস্যা সমস্যাহৈয়ে ৰৈ আছে। খেলপথাৰৰ আন্তঃগাঁথনিৰ উন্নয়ন আৰু নিৰ্মাণৰত খেলপথাৰসমূহৰ ক্ষিপ্ৰ নিৰ্মাণৰ দাবী জনাইছে জাতীয় সংগঠনটোৱে। নলবাৰীত দূৰণিবটীয়া ৰে'ল ৰখোৱাৰো দাবী সজোঁৰে উত্থাপন কৰে সংগঠনটোৱে। জিলাখনত জলসিঞ্চন বিভাগৰ নিষ্ক্ৰিয়তাৰ থকা বুলিও অভিযোগ কৰে সংগঠনটোৱে। ভাৰতীয় খাদ্য নিগমক জিলাখনৰ প্ৰতিখন পঞ্চায়তত ধান ক্ৰয় কেন্দ্ৰ স্থাপন কৰি কৃষকৰ মৰ্মবেদনাক অকণমান হ'লেও সান্ত্বনা দিয়াৰো দাবী জনাই সংগঠনটোৱে। লগতে কৃষি বিভাগৰ সুবিধাসমূহ খেতিয়কে ভালকৈ পোৱা নাই বুলিও কয়। সংগঠনটোৱে কয় যে নগেন শৰ্মাৰ পিছত নলবাৰী সদৰ সমষ্টিবাসীয়ে সুদীৰ্ঘ প্ৰতীক্ষাৰ অন্তত জয়ন্ত মল্লবৰুৱাক কেবিনেট মন্ত্ৰী ৰূপে পোৱাটো নিঃসন্দেহে আনন্দদায়ক। যদিও কাজেই সেই আনন্দ নিৰ্বানন্দ হৈয়েই থাকিল। জয়ন্ত মল্লবৰুৱাই সপোন এক বিকশিত নলবাৰীৰ যি শ্ল'গান দিছিল পিছে দুৰ্ভাগ্যবশতঃ সেই বিকশিত নলবাৰীখনক দেখিবলৈ নলবাৰীবাসীয়ে যমৰ-যাতনা ভুগিবলৈ বাধ্য হৈছে। নলবাৰী চহৰৰ বাট-পথ, নলা-নৰ্দমাৰ উন্নয়নৰ নামত সম্প্ৰতি যি ধূলি বা প্ৰদূষণ হৈছে সেয়াই এই ক্ষুদ্ৰ চহৰখনক দেশৰ আটাইতকৈ প্ৰদূষিত চহৰলৈ ৰূপান্তৰিত কৰিছে। প্ৰদূষণেৰে নলবাৰী বিকাশ কৰিব খোজা মন্ত্ৰীজনাক যুৱ-ছাত্ৰ পৰিষদৰ নলবাৰী জিলা সমিতিয়ে ধিক্কাৰ দিছে। নলবাৰীৰ প্ৰকৃত উন্নয়ন সাধিবলৈ মন্ত্ৰীজনে ৰাইজৰ মনৰ খবৰ ল'বলৈ চেষ্টা কৰক। আত্ম নিয়ন্ত্ৰণ অধিকাৰৰ হকে যুৱ-ছাত্ৰ পৰিষদে কৰি অহা দীৰ্ঘদিনীয়া সংগ্ৰামখনক অধিক গতিশীল কৰাৰ লক্ষ্যৰ লগতে নলবাৰী জিলাৰ বিভিন্ন মৌলিক সমস্যা সমাধানৰ হকে দৃঢ়তাৰে কাম কৰাৰ ঘোষণা কৰে। নলবাৰী জিলাবাসীয়ে ককবকাই থকা মূল্যবৃদ্ধিৰ সমস্যা, নিবনুৱা সমস্যা, শিক্ষাৰ্থীৰ সমস্যা আদি বিষয়বোৰক লৈ সৰৱ হোৱাৰ ইংগিত দিয়ে যুৱ-ছাত্ৰ পৰিষদৰ নলবাৰী জিলা সমিতিয়ে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ভূপেন বৰাৰ নেতৃত্বতে হ'ব ২০২৬ৰ

গগৈক সভাপতি পাতিব বুলি চলি থকা চৰ্চাৰ যেন আজি অৱসান ঘটালে কংগ্ৰেছ হাইকামাণ্ডে। প্ৰায় চাৰিদিন দিল্লীত বাহৰ পাতি থকা অসম প্ৰদেশ কংগ্ৰেছৰ শীৰ্ষ নেতৃত্ব, সাংসদসকলৰ লগতে বিভিন্ন কোষৰ শীৰ্ষ নেতাসকলৰ সৈতে আজি প্ৰায় দুঘণ্টা ধৰি বৈঠক অনুষ্ঠিত কৰে হাইকামাণ্ডে। এই বৈঠকত ভূপেন বৰাৰ নেতৃত্বতে ২০২৬ চনৰ নিৰ্বাচনী যুঁজত নামিব কংগ্ৰেছ সেয়া খাটাং হৈছে। লগতে অসমত কংগ্ৰেছে কাৰ সৈতে মিত্ৰতা কৰিব সেয়াও অসম প্ৰদেশ কংগ্ৰেছৰ নেতৃত্বক সিদ্ধান্ত ল'বলৈ এৰি দিছে হাইকামাণ্ডে। এতিয়াৰ পৰা অসমত বিৰোধী দলৰ সৈতে হ'বলগীয়া মিত্ৰতাক লৈ সিদ্ধান্ত ল'বলৈ ৰাজ্যিক নেতৃত্বক কৰ্তৃত্ব দিয়া হৈছে। আজিৰ সভাত নিখিল ভাৰত কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গে, লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধী, সাংগঠনিক সম্পাদক কে. চি বেণুগোপাল উপস্থিত আছিল। তিনি শীৰ্ষ নেতা উপস্থিত থকা সভাত কোনো কাৰণতে সভাপতি সলনি বিষয়টোক লৈ চৰ্চা নকৰি ভূপেন বৰাৰ নেতৃত্বতে সকলো ৰাজ্যিক নেতাক একত্ৰিত ভাৱে চৰকাৰৰ বিৰুদ্ধে আৰু আগন্তুক নিৰ্বাচনৰ বাবে সাজু হ'বলৈ নিৰ্দেশ দিয়ে। আজি নতুন দিল্লীত নিখিল ভাৰত কংগ্ৰেছৰ দিল্লীতস্থিত মুখ্য কাৰ্যালয় ইন্দিৰা ভৱনত অসম প্ৰদেশ কংগ্ৰেছৰ নেতৃত্বৰ সৈতে নিখিল ভাৰত কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গে আৰু লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীয়ে গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত কৰে। প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰা, বিৰোধী দলপতি দেৱব্ৰত শইকীয়া, তত্বাৱধায়ক জীতেন্দ্ৰ সিং, সাংসদ ৰকিবুল হুছেইন, প্ৰদ্যুৎ বৰদলৈ, গৌৰৱ গগৈ, প্ৰাক্তন সাংসদ আব্দুল খালেক, প্ৰাক্তন সভাপতি ৰিপুণ বৰা, বিধায়িকা নন্দিতা দাস, বিধায়ক জাকিৰ হুছেইন সিকদাৰ, মহিলা কংগ্ৰেছৰ সভাপতি মীৰা বৰঠাকুৰ, সেৱা দলৰ সভাপতি দ্বীপ বায়ন, যুৱ কংগ্ৰেছৰ সভাপতি জুবেৰ আনম আৰু এনএছইউআইৰ সভাপতি কিষাণু বৰুৱা, হাফিজ ৰশ্বিদ চৌধুৰী, ৰজলীনা তিৰ্কী, বিগত বিধানসভা নিৰ্বাচনৰ গোলাঘাট সমষ্টিৰ প্ৰাৰ্থী বিতোপন শইকীয়া, অভয়াপুৰীৰ বিধায়ক প্ৰদীপ সৰকাৰ, বৰাক উপত্যকা, কাৰ্বি আংলং, বিটিআৰ, মধ্য অসম, উত্তৰ অসম, নামনি অসমৰ নেতৃত্ব উপস্থিত আছিল। আজি বৈঠকত ৰাহুল গান্ধীয়ে বিৰোধী দলসমূহক লগত লৈ কাম কৰিবলৈ কঠোৰ নিৰ্দেশ দিছে অসমৰ নেতৃত্বক। নিখিল ভাৰত কংগ্ৰেছৰ নেতৃত্বই বিশেষ বৈঠকত আগন্তুত দিনত চৰকাৰৰ বিৰুদ্ধে সৰৱ হ'বলৈ নিৰ্দেশ দিছে। জানিব পৰা মতে, বৈঠকত ৰাহুল গান্ধীয়ে চিধা-চিধিকৈ কৈছে যে সকলো নেতাই একত্ৰিত ভাৱে কাম কৰক। সকলো নেতাৰ পৰা গান্ধীয়ে জানিব বিচাৰে সাংগঠনিক স্থিতিৰ কথা। নেতৃত্বই নিজ নিজ ভাষ্য প্ৰকাশ কৰে যদিও ৰাহুল গান্ধীয়ে স্পষ্টকৈ কয় যে হিমন্ত বিশ্ব শৰ্মাৰ দৰে এজন দুৰ্নীতিগ্ৰস্ত লোক মুখ্যমন্ত্ৰী হৈ থকাৰ সময়তে যেনেদৰে অসম কংগ্ৰেছ সৰৱ হ'ব লাগিছিল তেনেদৰে ৰণনীতি তৈয়াৰ কৰি কাম কৰিব পৰা নাই। অসমত কংগ্ৰেছৰ নেতাৰ মাজত একতাৰ অভাৱ আৰু গোটবাজীৰ কথাটোও ঠাই পোৱা বুলি জানিব পৰা গৈছে। গান্ধীয়ে তাক লৈ কৈছিল যে হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে অসমত সকলো নেতাই যেনেদৰে একত্ৰিত ভাৱে যুঁজি দিব লাগিছিল সেই যুঁজ দিব পৰা নাই। ৰাহুলে কৈছিল যে মই বিচাৰিছো এতিয়া কংগ্ৰেছে এক হৈ কাম কৰক। বিজেপিৰ চৰকাৰ আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে ৰাইজৰ মাজলৈ যাব পৰাকৈ নেৰিটিভ তৈয়াৰ কৰক। সেই নেৰিটিভ লৈয়ে ৰাইজৰ মাজলৈ যাওক। ভূপেন বৰাৰ নেতৃত্বত, বিৰোধী দলক লৈ একেলগে কাম কৰিবলৈ তিনিমাহৰ সময় বান্ধি দিছে হাইকামাণ্ডে। তিনিমাহৰ ভিতৰত কংগ্ৰেছক অসমত শক্তিশালী ৰূপত উজ্জীৱিত কৰিবলৈ ভূপেন বৰাৰ কান্ধত দায়িত্ব দিছে ৰাহুল গান্ধীয়ে। ভূপেন বৰাই বৈঠকৰ অন্তত কয় যে আমি সকলোৱে ৰাহুল গান্ধী আৰু মল্লিকাৰ্জুন খাৰ্গেৰ সন্মুখত পণ লৈছো যে ২০২৬ চনৰ ১০ মে'ত বিজেপিৰ চৰকাৰ উঘালি পেলাই দিম। আমি সকলোৱে একত্ৰিত। আগন্তুক দিনত যিমান কাৰ্যসূচী অনুষ্ঠিত হ'ব ৰাজ্যৰ সকলো কাৰ্যকৰ্তাৰ লগতে কেন্দ্ৰীয় নেতৃত্ব উপস্থিত থাকিব। ৰাইজৰ মাজলৈ সকলোৱে একেলগে যাম। হিমন্ত বিশ্ব শৰ্মাক দেশৰ অন্যতম দুৰ্নীতিগ্ৰস্ত মুখ্যমন্ত্ৰী আখ্যা দি ভূপেন বৰাই কয় যে সেই কথা আমি জনতাক কম। মুখ্যমন্ত্ৰীৰ সকলো দুৰ্নীতিৰ তথ্য-পাতি নিখিল ভাৰত কংগ্ৰেছৰ নেতৃত্বক দিয়াৰ লগতে অসমৰ ৰাইজৰ মাজলৈ লৈ যাম। বৈঠকত বৰাক উপত্যকা, কাৰ্বি আংলং, বিটিআৰ, মধ্য অসম, উত্তৰ অসম, নামনি অসমসহ প্ৰতিটো এলেকাৰ ৰণনীতি তৈয়াৰ কৰাৰ বাবে আলোচনা কৰা হৈছে। বিজেপি আৰু সাম্প্ৰদায়িক শক্তিৰ বিৰুদ্ধে যুঁজিবলৈ সংকল্প লোৱা বুলিও উল্লেখ কৰে বৰাই। অসম কংগ্ৰেছৰ তত্বাৱধায়ক জীতেন্দ্ৰ সিঙে কয় যে অসম কংগ্ৰেছৰ জ্যেষ্ঠ নেতা আৰু কাৰ্যবাহীসকলৰ সৈতে নতুন দিল্লীৰ ইন্দিৰা ভৱনৰ বৈঠকত মল্লিকাৰ্জুন খাৰ্গে, নেতা বিৰোধী ৰাহুল গান্ধী আৰু সংগঠনৰ সাধাৰণ সম্পাদক কে চি বেণুগোপালে বিভিন্ন দিহা-পৰামৰ্শ প্ৰদান কৰে। বৈঠকত অসমৰ সকলো নেতাই নিজৰ মতামত ৰাখে। আগন্তুক বিধানসভা নিৰ্বাচনৰ ৰণনীতি সন্দৰ্ভত বিতংভাৱে আলোচনা কৰা হয়। বৈঠকত স্পষ্ট কৰি দিয়া হয় যে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যখন বিক্ৰী কৰি আছে, মাফিয়াগিৰি চলাই আছে। দুৰ্নীতি, চিণ্ডিকেট চলাই আছে। ইয়াৰ ফল অসমৰ মানুহে বেয়াকৈ ভুগিছে। বৈঠকত সিদ্ধান্ত লোৱা হয় যে কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গে, নেতা বিৰোধী ৰাহুল গান্ধীয়ে শীঘ্ৰেই অসম ভ্ৰমণ কৰিব আৰু ৰাজ্যখনত শীঘ্ৰেই ৰেলী অনুষ্ঠিত কৰিব। কংগ্ৰেছে জনসাধাৰণৰ অধিকাৰৰ বাবে শক্তিশালীভাৱে যুঁজ দিয়াত বিজেপি চৰকাৰ চৰমভাৱে আতংকিত হৈছে। অসমৰ ৰাইজে পৰিৱৰ্তন বিচাৰে আৰু কংগ্ৰেছক এই পৰিৱৰ্তনৰ মাধ্যম হিচাপে গণ্য কৰে। ২০২৬ৰ বিধানসভা নিৰ্বাচনৰ জৰিয়তেই অসমত দুৰ্নীতি, বিভাজন আৰু প্ৰতিশোধৰ ৰাজনীতিৰ সমাপ্তি হ'ব বুলিও আশা প্ৰকাশ কৰে কংগ্ৰেছ নেতৃবৰ্গই।

প্ৰথম পৃষ্ঠাৰ পৰা...

# মেট্ৰিক পৰীক্ষাত বহিল বিশ্ববিদ্যালয়ৰ

উচ্চতৰ মাধ্যমিক বিদ্যালয় হাইস্কুল শিক্ষান্ত পৰীক্ষা কেন্দ্ৰত বয়সৰ জালিয়তিৰে পৰীক্ষা কেন্দ্ৰত অৱতীৰ্ণ এগৰাকী পৰীক্ষাৰ্থীক আজি আটক কৰা হয়। কৰাগাড়ী পাথাৰ গাঁৱৰ সমীপৰ নলীগাঁৱৰ বাসিন্দা পৰীক্ষাৰ্থীগৰাকীৰ নাম হাৰুণাৰ ৰছিদ আৰু তেওঁ হৰেন্দ্ৰ চিত্ৰা মহাবিদ্যালয়ৰ এগৰাকী প্ৰাক্তন ছাত্ৰ বুলি জানিব পৰা গৈছে। পৰীক্ষাৰ্থীগৰাকীয়ে কৰাগাড়ী পাথাৰ আঞ্চলিক হাইস্কুলৰ এগৰাকী ছাত্ৰ হিচাপে হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ কথা জানিব পৰা গৈছে। উল্লেখ্য যে আজি পৰীক্ষা কেন্দ্ৰটোত নিয়োজিত অতিৰিক্ত পৰীক্ষা নিয়ন্ত্ৰক বিবেক বৰুৱা থাপাই পৰীক্ষাৰ্থীসকলৰ তথ্যপাতিসমূহ পৰীক্ষা কৰাৰ সময়তে সংশ্লিষ্ট পৰীক্ষাৰ্থীগৰাকীৰ প্ৰতি সন্দেহ ওপজে। পৰীক্ষাশেষ হোৱাৰ পিছতে পৰীক্ষাৰ্থীগৰাকীক মাতি আনি এই বিষয়ে সোধা-পোছা কৰাত তেওঁৰ প্ৰকৃত জন্ম চন ১৯৯৫ আৰু তেওঁ ২০১১ চনতেই হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ কথাটো ওলাই পৰে। আৰক্ষীৰ চাকৰি লাভৰ বাবেই অসৎ পন্থাৰে বয়স কমাই পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ লগতে বৰ্তমান তেওঁ কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ দূৰ সংযোগ বিভাগৰ অসমীয়া বিভাগৰ এগৰাকী ছাত্ৰ বুলিও জানিবলৈ দিয়ে। আৰক্ষী অথবা প্ৰতিৰক্ষা বাহিনীত চাকৰি লাভৰ বাবেই বয়স জালিয়তিৰে পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ কথাও তেওঁ জানিবলৈ দিয়ে। ইতিমধ্যে পৰীক্ষা কেন্দ্ৰটোত নিয়োজিত হৰেন্দ্ৰ চিত্ৰা মহাবিদ্যালয়ৰঅধ্যাপক তথা পৰীক্ষা কেন্দ্ৰটোৰ নিয়মীয়া পৰীক্ষা নিয়ন্ত্ৰক অৰূপ দাসৰ ভূমিকাৰ লগতে কৰাগাড়ী পাথাৰ হাইস্কুলৰ প্ৰধান শিক্ষক মহিৰউদ্দিনৰ সন্দেহজনক ভূমিকাক লৈও প্ৰশ্ন উত্থাপন কৰিছে সচেতন ৰাইজে। পৰীক্ষাৰ চাৰিটা দিন পাৰ হোৱাৰ পিছতো নিয়মীয়া পৰীক্ষা নিয়ন্ত্ৰক অৰূপ দাসে পৰীক্ষাৰ্থীগৰাকী সম্পৰ্কত কোনো ব্যৱস্থা গ্ৰহণ নকৰাক লৈও ৰাইজে প্ৰশ্ন উত্থাপন কৰিছে। পৰীক্ষাৰ্থীগৰাকীয়ে তেওঁৰ কু-কৰ্মৰ বিষয়ে দণ্ডাধীশৰ আগত স্বীকাৰোক্তি দিয়াৰ পিছতেই পৰীক্ষাৰ্থীগৰাকীক ভৱানীপুৰ আৰক্ষীক গতাই দিয়া হয়। উক্ত পৰীক্ষা কেন্দ্ৰটোত দুবছৰ পূৰ্বেও আন এজন ভুৱা পৰীক্ষাৰ্থীক আটক কৰা হৈছিল।

## নগাঁৱত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ বিৰুদ্ধে এজাহাৰ দাখিল আহোম সভাৰ

**ই-সংবাদ, বেৰেজীয়া, ২৭ ফেব্ৰুৱাৰীঃ** কিছুদিনৰ পূৰ্বে আহোম জনগোষ্ঠীৰ পবিত্ৰ ধৰ্মীয় অনুষ্ঠান মে-ডাম-মে-ফিত ভাগ লোৱাৰ বাবে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ এজন সংগীক সংঘই সংস্কাৰ হ'বলৈ পত্ৰ প্ৰেৰণ কৰাৰ বিষয়ে সামাজিক মাধ্যম আৰু সংবাদ মাধ্যমত প্ৰচাৰ হোৱাৰ পিছতেই আহোম জনগোষ্ঠীৰ বিভিন্ন সংগঠনৰ লগতে অনুষ্ঠান-প্ৰতিষ্ঠান জাঙুৰ খাই উঠাৰ সমান্তৰালভাৱে মে-ডাম-মে-ফিক অসংস্কাৰী আখ্যা দিয়াৰ পিছতে টাইপা নামৰ সংগঠনটোৰ একাংশ বিষয়ববীয়াই শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সংবিধানখন জ্বলাই দি প্ৰতিবাদ সাৰ্বস্ত কৰে। যাক লৈ শ্ৰীমন্ত শংকৰদেৱ সংঘ আৰু টাইপাৰ লগতে আহোম জনগোষ্ঠীৰ কেইবাটাও জাতীয় সংগঠনৰ মাজত বাকবিতণ্ডা তথা সংঘাতৰ সৃষ্টি হয়। বৰ্তমানেও উভয় পক্ষৰ মাজত শীতল যুদ্ধ চলি থকাৰ মাজতে বৃহস্পতিবাৰে নগাঁও জিলা আহোম সভাই শ্ৰীমন্ত শংকৰদেৱ সংঘৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰে। আচলতে, নগাঁও জিলা আহোম সভাই অতি সম্প্ৰতি শ্ৰীমন্ত শংকৰদেৱ সংঘৰ তথাকথিত ধৰ্মীয় গোড়ামীৰ দ্বাৰা আহোম জনগোষ্ঠীৰ পৰম্পৰাগত লোকাচাৰ, ৰীতি-নীতি, সাংস্কৃতিক আৰু সামাজিক অৱস্থাক অৱমাননা কৰাৰ লগতে সাতামপুৰুষীয়া সমন্বয় আৰু সম্প্ৰীতিৰ এনাজৰীৰে বান্ধ খাই থকা সমাজখনত ভেদাভেদৰ বীজ ৰোপণ কৰাৰ প্ৰতিবাদত নগাঁও জিলা সদৰ আৰক্ষী থানাত এজাহাৰ দাখিল কৰে। নগাঁও জিলা আহোম সভাৰ সভাপতি ড° দীনেশ হাজৰিকাৰ লগতে ঠগীত চন্দ্ৰ বৰুৱা, মহেন্দ্ৰজিৎ বৰুৱা, শিৱ ফুকন, দীপজ্যোতি বৰা, নিৰৱ ফুকন, সঞ্জীৱ বৰা, গুনীন্দ্ৰ ফুকন, ৰূপালী বৰকথীয়া, ৰঞ্জু লাহন আদি বিষয়ববীয়াসকল উপস্থিত থাকে। উল্লেখ্য, এজাহাৰত নগাঁও জিলা আহোম সভাই আহোম জনগোষ্ঠীৰ ব্যক্তি চন্দ্ৰ বৰুৱাক শ্ৰীমন্ত শংকৰদেৱ সংঘই মে-ডাম-মে-ফিত অংশগ্ৰহণ কৰাৰ বাবেই সংস্কাৰ হ'ব লাগে বুলি জাননি প্ৰেৰণ কৰি আহোমসকলৰ ধৰ্মীয় বিধি তথা হাজাৰ বছৰীয়া এটি পৰম্পৰাক অসংস্কাৰী পৰম্পৰা বুলি অভিহিত কৰি এই পৰম্পৰাক বিশ্বাস কৰা লাখ লাখ লোকৰ আঘাত হনা বুলি অভিযোগ তুলি ভৱিষ্যতে অবাঞ্চিত পৰিস্থিতিৰ আশংকা কৰি এই দণ্ড পত্ৰৰ লগত জড়িত সংঘৰ সংশ্লিষ্ট প্ৰাথমিকৰ বিষয়ববীয়া, মূলৰ পদাধিকাৰ ভবেন্দ্ৰনাথ ডেকা, প্ৰধান সম্পাদক কুশল ঠাকুৰীয়া আৰু সেৱা বাহিনীৰ সঞ্জীৱ বৰাৰ লগতে সামাজিক মাধ্যমত তুচ্ছ-তাচ্ছিল্য কৰি ধৰ্মীয় অনুভূতিত আঘাত কৰা মন্তব্যকাৰীসকলৰ বিৰুদ্ধে ভাৰতীয় ন্যায় সংহিতাৰ অধীনত গোচৰ পঞ্জীয়ন কৰিবলৈ আৰক্ষীৰ প্ৰতি অনুৰুধ জনাইছে।

## বাঘজান-দীঘলটৰং অঞ্চলত অইলৰ কাম-কাজ বন্ধৰ হুংকাৰ

# ট্ৰাকৰ খুন্দাত শিশু নিহতক কেন্দ্ৰ কৰি বাঘজানত উত্তপ্ত পৰিস্থিতি

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ২৭ ফেব্ৰুৱাৰীঃ** পৱিত্ৰ শিৱৰাত্ৰিৰ আনন্দ-উল্লাসৰ মাজতে তিনিচুকীয়া জিলাৰ বাঘজান চাহ বাগিচাৰ চাৰিআলিৰ সমীপৰ শিৱ মন্দিৰৰ সন্মুখত বুধবাৰে নিশা প্ৰায় ৯:৩০ বজাত এক শোকাৱহ পথ দুৰ্ঘটনা সংঘটিত হয়। ঘটনাত বাঘজান চাহ বাগিচাৰ বিক্ৰম গড় নামৰ এগৰাকী ১৪ বছৰীয়া শিশু থিতাতে নিহত হোৱাৰ লগতে চাহিল খাৰিয়া নামৰ এগৰাকী ১৩ বছৰীয়া শিশু গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। আহত শিশুটি বৰ্তমান তিনিচুকীয়া লোকপ্ৰিয় গোপীনাথ বৰদলৈ অসামৰিক চিকিৎসালয়ত সংকটজনক অৱস্থাত চিকিৎসাধীন হৈ আছে। প্ৰাপ্ত তথ্য অনুসৰি, অইল ইণ্ডিয়া লিমিটেডৰ নিবিদা লাভ কৰা বহিৰাগত কোম্পানী চিৰজ নামৰ কোম্পানীটোৰ অধীনত দুলীয়াজানৰ পৰা পৰিচালিত এম আৰ ডি নামৰ কোম্পানীটোৰ বাঘজান-দীঘলটৰং অঞ্চলত তৈল খননৰ কামত নিয়োজিত সামগ্ৰী কঢ়িওৱা এখন বাহনে (ট্ৰেলাৰ) দুই শিশুক মহটিয়াই নিয়ে। ঘটনা খবৰ পোৱাৰ পাছতেই স্থানীয় বাঘজান আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ দুৰ্ঘটনা সংঘটিত কৰা বাহনখন জব্দ কৰে। ঘটনাৰ সন্দৰ্ভত স্থানীয় শ শ ৰাইজ বাঘজান থানাৰ সন্মুখত সমবেত হৈ পুৱাৰ পৰাই উত্তাল প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে ডুমডুমা ৰাজহ চক্ৰৰ চক্ৰ বিষয়াৰ উপস্থিতিত থানাৰ সন্মুখত টায়াৰ জ্বলাই উত্তাল পৰিৱেশ উত্তপ্ত কৰি তোলে। ৰাইজে মৃতকৰ পৰিয়ালক ৫০ লাখ টকাৰ এককালীন সাহাৰ্য্য, মৃতকৰ পৰিয়ালৰ সদস্যক অইল ইণ্ডিয়াত চাকৰি প্ৰদান, মৃতকৰ পৰিয়ালৰ বীমাৰ ব্যৱস্থা কৰাৰ উপৰি আহত শিশুটিৰ পৰিয়ালক ৩০ লাখ টকাৰ এককালীন সাহায্য, শিশুটি সম্পূৰ্ণ সুস্থ নোহোৱা পৰ্যন্ত পৰিয়ালৰ সকলো খৰচ বহন কৰা, শিশুটিৰ পৰিয়ালৰ সদস্যক অইল ইণ্ডিয়াত চাকৰি দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে উপৰোক্ত দাবীসমূহ পূৰণ নোহোৱালৈকে অঞ্চলটোত অইলৰ সকলোধৰণৰ কাম-কাজ বন্ধ ৰখাৰ দাবী জনায়। উল্লেখ্য যে, বিগত ২০২২ চনতো বাঘজান গাঁৱৰ এজন যুৱকক এম আৰ ডি কোম্পানীৰ বাহনে মহটিওৱাৰ ফলত যুৱকজনে অকাল মৃত্যুক আঁকোৱালি ল'বলগীয়া হৈছিল যদিও পৰৱৰ্তী সময়ত যুৱকজনৰ পৰিয়ালৰ লোকক কোম্পানীটোৱে কোনো ধৰণৰ ক্ষতিপূৰণ প্ৰদান নকৰাৰ অভিযোগ উত্থাপিত হৈছে। ঘটনাক লৈ আজি বিয়লি পৰ্যন্ত বাঘজান উত্তপ্ত হৈ আছে।

# ধুমুহা-শিলাবৃষ্টিত চূৰমাৰ কৃষকৰ সপোনৰ পথাৰ

**ই-সংবাদ, ধেমাজি, ২৭ ফেব্ৰুৱাৰীঃ** ধেমাজি জিলাত ফাগুনৰ পছোৱা বতাহ আৰু শিলাবৃষ্টিত দেওবাৰে ক্ষতিসাধন কৰে কৃষকৰ সপোনৰ পথাৰখন। এতিয়া আপোন খেতি-পথাৰলৈ চাই কৃষকে মূৰে-কপালে হাত দিবলগীয়া পৰিস্থিতি সৃষ্টি হৈছে। মূৰৰ ঘাম মাটিত পেলাই, পেটত গামোচা মাৰি সাঁচতীয়া ধনেৰে কৃষিকৰ্মৰ পাতনি মেলাৰ পিছতে ফাগুনৰ বলিয়া বতাহৰ লগতে শিলাবৃষ্টিয়ে নষ্ট কৰিলে ফচল। বিশেষকৈ চিচিবৰগাঁও ৰাজহ চক্ৰৰ অন্তৰ্গত নিলখ গাওঁ পঞ্চায়তৰ নিলখ তৰানি পথাৰ গাঁওৰ লগতে গাই নৈৰ পাৰত বৃহৎ অঞ্চলত কৰা ভোট জলকীয়া খেতি শিলাবৃষ্টিত ক্ষতিসাধন হয়। বছৰ বছৰ ধৰি ভোট জলকীয়া খেতিৰে স্বাৱলম্বন হোৱা নিবনুৱা যুৱকসকলে এতিয়া হুমুনিয়াহ কাঢ়িবলগীয়া পৰিস্থিতি উদ্ভৱ হয়। উল্লেখ্য, উক্ত অঞ্চলটোত উৎপাদিত ভোটজলকীয়া ইতিমধ্যে বহিঃৰাষ্ট্ৰ আৰু চুবুৰীয়া ৰাজ্যসমূহলৈ ৰপ্তানি কৰি আহিছিল। এইবাৰ কাল ধুমুহা আৰু শিলাবৃষ্টিত এই জিলাখনৰ পৰা যে ভোট জলকীয়া ৰপ্তানি কৰিব নোৱাৰিব তথা পথাৰত ব্যয় কৰা মূলধনো ঘূৰাই নাপাব ইয়াক লৈ চিন্তিত কৃষকসকল। মন কৰিবলগীয়া যে দেওবাৰে নিশা অহা শিলাবৃষ্টি ইমানেই প্ৰকাণ্ড আছিল যে শিলসমূহৰ ওজন আছিল ৫০০/৬০০ গ্ৰামৰ। অঞ্চলটোৰ প্ৰায় ৫০ বিঘা ভোটজলকীয়া খেতি শিলাবৃষ্টিৰ ফলত নষ্ট হৈছে। কৃষিকৰ্ম কৰিবলৈ ঋণ লোৱা এইসকল কৃষক এতিয়া উপায়হীন হৈ পৰিছে। আনপিনে ধেমাজি জিলাত ২০ শতাংশ লোকে এইবাৰো আগৰ দৰে মুগা খেতিত নামিছিল। ঠায়ে ঠায়ে মুগা খেতিয়ো শিলাবৃষ্টিত নষ্ট



হৈ পৰে। মুঠৰ ওপৰত অধিক আশাৰে কষ্টৰ ধনেৰে পৰিয়াল পোহপাল তথা উপাৰ্জন কৰি সপোন পূৰণ কৰিম বুলি কৃষকে ভবা কথা কাল ধুমুহা আৰু শিলাবৃষ্টিয়ে এইবাৰ চূৰমাৰ কৰে। ইফালে, কৃষকৰ নামত প্ৰস্তুত কৰা প্ৰধানমন্ত্ৰী ফচল বীমা আঁচনিয়ে আজিলৈকে ঢুকি নাপালে প্ৰকৃত কৃষকক। ধেমাজি একপ্ৰকাৰ বগা হাতীত পৰিণত হৈছে ফচল বীমা যোজনা। আনপিনে ভোটজলকীয়া খেতিত এই বীমা কাৰ্যকৰণ নহয় বুলি জানিবলৈ দিয়ে কৃষকে। এইক্ষেত্ৰত ভোট-জলকীয়াৰ খেতি বীমা ব্যৱস্থা কৰিবলৈ চৰকাৰ তথা জিলা প্ৰশাসনক দাবী জনাইছে ক্ষতিগ্ৰস্ত ভুক্তভোগী কৃষকে। লগতে ক্ষতিগ্ৰস্ত কৃষকসকলৰ এককালীন সাহায্য দিয়াৰ ব্যৱস্থা কৰিবলৈ দাবী জনাইছে কৃষক সমাজে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

## ফুলনিত সমাজ সেৱক কিৰণ গোৱালাৰ আদ্যশ্ৰাদ্ধ

**ই-সংবাদ, হাওৰাঘাট, ২৭ ফেব্ৰুৱাৰীঃ** কাৰ্বি আংলং জিলাৰ ফুলনি ৰাজহ চক্ৰ বিষয়া কাৰ্যালয়ৰ চতুৰ্থ বৰ্গৰ কৰ্মচাৰী তথা 'আপকু'ৰ কাৰ্বি আংলং জিলা সমিতিৰ উপ-সভাপতি বীৰেন গোৱালাৰ জ্যেষ্ঠ ভাতৃ, সমাজ সেৱক কিৰণ গোৱালাই কিছুদিন আগতে অকাল মৃত্যুক সাবটি লয়। প্ৰয়াত গোৱালাৰ আদ্যশ্ৰাদ্ধৰ অনুষ্ঠানত 'আসাম প্ৰেছ ক'ৰেছপণ্ডেণ্টছ ইউনিয়ন (Assam Press Correspondents Union)' চমুকৈ 'আপকু'ৰ কাৰ্বি আংলং জিলা সমিতিৰ সভাপতি ছামছিং ক্ৰ, সম্পাদক ধৰ্মেন্দ্ৰ খাখলাৰী, কাৰ্যকৰী সভাপতি ছেমছিং ইংতি, সাংগঠনিক সম্পাদক ছাৰছিং ৰংপি, কোষাধ্যক্ষ লংকিৰাম টেৰণ, সহকাৰী সম্পাদক নেত্ৰকমল শৰ্মা, কাৰ্যকৰী সদস্যত্ৰয় ক্ৰমে পংকজ ডেকা, নাৰায়ণ বৰুৱা আৰু ৰত্ন কান্ত পাঠক'ৰ প্ৰতিনিধিৰ দলটোৱে বৃহস্পতিবাৰে পুৱাৰ ভাগত তেওঁলোকৰ বাসগৃহত উপস্থিত হৈ প্ৰয়াত কিৰণ গোৱালাৰ প্ৰতি শ্ৰদ্ধা আৰু সন্মান জনাই পত্নীৰ হাতত 'আপকু'ৰ কাৰ্বি আংলং জিলা সমিতিৰ ফালৰ পৰা শোকবাৰ্তা প্ৰদান কৰি পৰিয়ালবৰ্গৰ প্ৰতি গভীৰ সমবেদনা জ্ঞাপন কৰে। এই আদ্যশ্ৰাদ্ধৰ অনুষ্ঠানত সতীৰ্থ সাংবাদিকসকলৰ ভিতৰত ক্ৰমে অনন্ত কুমাৰ গৌড়, দীপক দত্ত, খগেশ্বৰ দাস, মিৰজেং হাঞ্চে, অৰুণ ইংতি কাথাৰ আদি উপস্থিত থাকে।

### জলসিঞ্চন চক্ৰৰ অধীক্ষক অভিযন্তাৰ বিৰুদ্ধে বিস্ফোৰক অভিযোগ

## হোজাইত খোদ চৰকাৰী বিষয়াই নামানে চৰকাৰী নীতি-নিয়ম

**ই-সংবাদ, মোৰাঝাৰ, ২৭ ফেব্ৰুৱাৰীঃ** জিলা আয়ুক্তৰ অনুমতি নোলোৱাকৈ হোজাই জলসিঞ্চন চক্ৰৰ অধীক্ষক অভিযন্তা আচফাক হুছেইনে নিজ খেয়াল-খুচিৰে দায়িত্ব পালন কৰা ঘটনাই হোজাই জিলাত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। জলসিঞ্চন বিভাগৰ বৰমূৰীয়াৰ অনিয়মীয়া উপস্থিতিৰ সুযোগত তলতীয়া একাংশ কৰ্মচাৰীয়ে দায়িত্বৰপৰা আঁতৰি থকাৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে। উত্থাপিত অভিযোগ অনুসৰি সপ্তাহৰ শুকুৰবাৰ বা শনিবাৰে কোনোধৰণৰ ছুটী নোলোৱাকৈ অকৰ্তৃত্বশীলভাৱে অধীক্ষক অভিযন্তাই যোৰহাটৰ নিজা ঘৰলৈ গুচি যায়। অধীক্ষক অভিযন্তাগৰাকী ঘৰৰপৰা পুনৰ প্ৰতি মঙলবাৰে দুপৰীয়া সময়ত কাৰ্যালয়ত আহি উপস্থিত হোৱাটো নিত্য-নৈমিত্তিক ঘটনা হৈ পৰিছে। হোজাই জিলা জলসিঞ্চন বিভাগৰ বৰমূৰীয়াৰ এনে কাৰ্যত একাংশ কৰ্মচাৰীয়ে সুযোগ গ্ৰহণ কৰাৰ অভিযোগ উত্থাপিত হৈছে। তলতীয়া একাংশ কৰ্মচাৰীয়ে দায়িত্ব পালন নকৰাত জলসিঞ্চন নলাৰ অৱস্থা শোচনীয় হৈ পৰিছে। নলাৰ পৰিচৰ্যা সঠিক সময়ত নকৰাত নলা ঘাঁহ-বননিৰে আবৰি ধৰিছে। নলাৰ পাৰ বহু ঠাইত ক্ষয়-ক্ষতি হৈ পানী ধাৰণ ক্ষমতা কমি গৈছে। ফলত বৰ্তমান সময়ত জিলাখনৰ বহু ঠাইত জলসিঞ্চনৰ পানীৰ ওপৰত নিৰ্ভৰশীল হোৱা মৎস্যজীৱী কৃষকে প্ৰয়োজনীয় পানী যোগান নোপোৱাৰ অভিযোগ উত্থাপিত হৈছে। তলতীয়া কৰ্মচাৰী নিজৰ কৰ্ম ক্ষেত্ৰত উপস্থিত নোহোৱাৰ ফলত বহু স্থানত জলসিঞ্চন নলাৰ পাৰ বেদখলকাৰীৰ কবলত পৰিছে। তদুপৰি জিলা আয়ুক্তৰ অনুমতি নোলোৱাকৈ কোনো বিভাগৰ কৰ্তৃত্বশীল বিষয়াই জিলা ত্যাগ কৰিব নোৱাৰিব বুলি থকা চৰকাৰী নিৰ্দেশ অধীক্ষক অভিযন্তাই উলংঘা কৰাত জিলাখনত চাঞ্চল্যৰ সৃষ্টি হৈছে।

## কামপুৰত ৰে'লৰ পৰা পৰি যুৱক আহত

**ই-সংবাদ, কামপুৰ, ২৭ ফেব্ৰুৱাৰীঃ** কামপুৰ নগৰৰ মাজমজিয়াৰ এক নং ৰে'লগেটৰ সমীপত আজি এক অঘটন সংঘটিত হয়। উজনিমুৱা ৰঙিয়া ডিব্ৰুগড় ৰেলগাড়ীখনৰপৰা এজন যুৱক পৰি গুৰুতৰভাৱে আহত হয়। আহত যুৱকজন যমুনামুখৰ জালাল উদ্দিন বুলি চিনাক্ত কৰা হৈছে। ঘটনাৰ খবৰ পাই উক্ত স্থানত ৰে'ল আৰক্ষী উপস্থিত হৈ শোচনীয় অৱস্থাত যুৱকজনক চিকিৎসালয়লৈ প্ৰেৰণ কৰে।

## পলাশবাৰীৰ উপৰহালী ছোৱালী হাইস্কুলত হুলস্থূল, ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষকৰ বিৰুদ্ধে অনিয়মৰ অভিযোগ

**ই-সংবাদ, মিৰ্জা, ২৭ ফেব্ৰুৱাৰীঃ** অসমৰ শিক্ষাৰ ক্ষেত্ৰত জয়ঢোল বজোৱা শিক্ষামন্ত্ৰী ৰণোজ পেগুৰ শিক্ষা বিভাগত একপ্ৰকাৰ অৰাজকতা চলিছে। বিদ্যালয়সমূহৰ ওপৰত কোনো নিয়ন্ত্ৰণ নাই শিক্ষা বিভাগৰ। আজি ২৭ ফেব্ৰুৱাৰী বৃহস্পতিবাৰে পলাশবাৰী সমষ্টিৰ উপৰহালী ছোৱালী হাইস্কুলত প্ৰধান শিক্ষকৰ খালী পদক কেন্দ্ৰ কৰি এক হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হয়। বিদ্যালয় পৰিদৰ্শকে উপৰহালী ছোৱালী হাইস্কুলৰ জ্যেষ্ঠ শিক্ষকৰূপে দিলীপ ঠাকুৰীয়াক স্বীকৃতি দিয়াক লৈ প্ৰতিবাদী ৰূপত অস্বীকাৰ কৰে হাইস্কুলখনৰ কৰ্মৰত শিক্ষয়িত্ৰী পদ্মিনী গোস্বামী আৰু শ্ৰেণী শিক্ষক মিতু ঠাকুৰীয়াই। বিদ্যালয় পৰিদৰ্শকৰ সিদ্ধান্তক একেচিতে অমান্য কৰি বিদ্যালয়খনত একপ্ৰকাৰ হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি কৰে। জানিব পৰা মতে, বিদ্যালয়খনত বহুদিনৰপৰা প্ৰধান শিক্ষকৰ পদৰ বাবে জ্যেষ্ঠ শিক্ষক-শিক্ষয়িত্ৰী মাজত উপযুক্ত বিবেচিত হোৱাৰ ক্ষেত্ৰত অভিসন্ধি ৰচনা হৈ আছে । যাৰফলত ছাত্ৰ-ছাত্ৰীসকলৰ পাঠদানৰ ক্ষেত্ৰত ব্যাঘাত জন্মিছে। আনহাতে, বৰ্তমানৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক ফণী শৰ্মাৰ বিৰুদ্ধে উত্থাপন হৈছে ব্যাপক অনিয়মৰ




অভিযোগ। অভিযোগ অনুসৰি হাইস্কুলৰ আন্তঃগাঁথনিৰ নামত চৰকাৰৰপৰা আৱণ্টন হোৱা সাহায্য পুঁজি সদব্যৱহাৰ কৰাৰ ক্ষেত্ৰত ব্যাপক অনিয়ম আৰু খেলিমেলি সংঘটিত হৈছে। শ্ৰেণী শিক্ষক নিৰ্মল কাকতীৰ লগত ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক ফণী শৰ্মাই গোপন বুজাবুজি কৰি বিদ্যালয়খনত সংঘটিত কৰিছে ব্যাপক অনিয়ম আৰু কেলেংকাৰী। মধ্যাহ্ন ভোজনত নিম্ন মানৰ সামগ্ৰী ব্যৱহাৰৰ লগতে চৰকাৰৰ নিয়ম অনুসৰি উৎকৃষ্ট আহাৰ প্ৰদান নকৰাৰ অভিযোগ অভিভাৱকৰ। মধ্যাহ্ন ভোজনত ব্যৱহৃত অতিৰিক্ত সামগ্ৰীসমূহ অভিভাৱকসকলক বিলাই দিয়ে। পোছাকৰ ক্ষেত্ৰতো অনুন্নত কাপোৰ ব্যৱহাৰ হৈ আহিছে। একাংশ শিক্ষক-শিক্ষয়িত্ৰীয়ে সময়ত উপস্থিত নহয়। নৈশ চকীদাৰ নোহোৱা বিদ্যালয়খনৰ বহু সা-সামগ্ৰী ইতিমধ্যে চোৰে লুটি লৈ গৈছে। কিছুদিন আগতে বিদ্যালয়খনৰ পৰা এটা দমকল চুৰি হৈছে। সংস্কৃত আৰু আৰবী শিক্ষকৰ অবিহনে চলি আছে পাঠদান। ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক ফণী শৰ্মাৰ দুৰ্বল নেতৃত্ব তথা বিষয়বস্তুৰ প্ৰতি তেখেতৰ অনীহা, সকলো বিষয়তে গা এৰা মন্তব্যৰ বাবে এতিয়া বিদ্যালয়খন অনিয়ন্ত্ৰিত হৈ পৰিছে। উল্লেখনীয়, শিক্ষক-শিক্ষয়িত্ৰীসকলৰ পদবীৰ লালসা, ব্যক্তিগত খামখেয়ালী আৰু পাঠদানৰ ক্ষেত্ৰত কৰা হেমাহিৰ বাবে ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক ভৱিষ্যতক লৈ একপ্ৰকাৰে শংকিত হৈ পৰিছে অভিভাৱকসকল। এতিয়া প্ৰশ্ন হয় শিক্ষাৰ মন্দিৰত যদি অনিয়ম চলে তেতিয়া হ'লে শিক্ষাৰ্থীসকলৰ ভৱিষ্যত কোনদিশে ? পৰৱৰ্তীকালত শিক্ষা বিভাগে এই মতগৰ্বী শিক্ষক-শিক্ষয়িত্ৰী বিৰুদ্ধে কি ব্যৱস্থা লয় সেয়া হ'ব লক্ষণীয় ।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

# লাহৰীঘাটত শতাধিক কংগ্ৰেছীৰ অগপত যোগদান



**ই-সংবাদ, লাহৰীঘাট, ২৭ ফেব্ৰুৱাৰীঃ** পঞ্চায়ত নিৰ্বাচনৰ পূৰ্বে লাহৰীঘাটত আৰম্ভ হৈছে কংগ্ৰেছত খহনীয়া। মণ্ডল কংগ্ৰেছৰ সাধাৰণ সম্পাদকসহ শতাধিক কংগ্ৰেছীৰ অগপত যোগদান কৰে। আজি লাহৰীঘাট বিধান পৰিষদৰ ধৰ্মীয় সংখ্যালঘু পৰিষদৰ সাধাৰণ সভা অনুষ্ঠিত হয়। অগপৰ লাহৰীঘাট বিধান পৰিষদৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত ধৰ্মীয় সংখ্যালঘু পৰিষদৰ সাধাৰণ সভাৰ সভাপতিত্ব কৰে বিধান পৰিষদৰ সভাপতি গুলজাৰ হুছেইনে। সভাত ধৰ্মীয় সংখ্যালঘু পৰিষদৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক মানিক হুছেইনকে ধৰি বহু কেইগৰাকী কেন্দ্ৰীয় আৰু জিলা পৰ্য্যায়ৰ নেতা উপস্থিত থাকে। সভাত লাহৰীঘাট সমষ্টিৰ বিধায়ক ডাঃ আছিফ মহম্মদ নাজাৰৰ বিৰুদ্ধে ক্ষোভ প্ৰকাশ কৰি তুলসীবড়ী গাঁও পঞ্চায়তৰ মণ্ডল কংগ্ৰেছৰ সাধাৰণ সম্পাদক শ্বফিকুল ইছলামৰ নেতৃত্বত শতাধিক কংগ্ৰেছ কৰ্মী আনুষ্ঠানিকভাৱে অসম গণ পৰিষদ দলত যোগদান কৰে। আগন্তুক পঞ্চায়ত নিৰ্বাচনৰ পূৰ্বে স্থানীয় বিধায়কৰ বিৰুদ্ধে ক্ষোভ প্ৰকাশ কৰি কংগ্ৰেছ দল ত্যাগ কৰা ঘটনাই বিশেষ তাৎপৰ্য বহন কৰিছে।

# ছিপাঝাৰত 'ছত্ৰ'ৰ প্ৰতিষ্ঠা দিৱস পালন

**ই-সংবাদ, ছিপাঝাৰ, ২৭ ফেব্ৰুৱাৰীঃ** দৰঙৰ ছিপাঝাৰস্থিত অগ্ৰণী বেচৰকাৰী সংস্থা 'ছত্ৰ'ৰ আজি ২৩ সংখ্যক প্ৰতিষ্ঠা দিৱস পালন কৰা হয়। দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত প্ৰতিষ্ঠা দিৱসৰ আৰম্ভণিতে পুৱা ৯ বজাত অনুষ্ঠানটিৰ পতাকা উত্তোলন কৰে ছত্ৰৰ অধ্যক্ষ ড০ প্ৰসন্ন কুমাৰ নাথে আৰু বন্তি প্ৰজ্বলন কৰে বিশিষ্ট সমাজ সেৱিকা উষাৰাণী দেৱীয়ে। ইয়াৰ পিছতে স্মৃতি তৰ্পণ কৰে ছত্ৰৰ কাৰ্যবাহী সঞ্চালক ননী কুমাৰ শইকীয়াই। প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি পুৱা ১০ বজাৰ পৰা আৰম্ভ হয় সতীৰ্থ সন্মিলন। সতীৰ্থ সন্মিলন পৰিচালনা কৰে ছত্ৰৰ জ্যেষ্ঠ কৰ্মী মণি বৰাই। অনুষ্ঠানটিত মানসী শইকীয়া কলিতা, তাৰা শংকৰ শইকীয়া, জগদ্বীশ হাজৰিকাই গীত গাই সকলোকে আপ্লুত কৰে। একেদৰে ননী কুমাৰ শইকীয়া, শশীন্দ্ৰ শৰ্মা, কমৰুজ জামান হক আদিয়ে স্ব-প্ৰতিভা দাঙি ধৰাৰ লগতে অনুষ্ঠানটিৰ আগন্তুক ৰূপালী জয়ন্তী সমাৰোহ সম্পৰ্কে আলোচনা কৰাৰ লগতে ইয়াৰ এক ৰূপৰেখা দাঙি ধৰে। সন্ধিয়া ৫ বজাত সকলো কৰ্মীৰ দ্বাৰা বন্তি প্ৰজ্বলনেৰে প্ৰতিষ্ঠা দিৱসটিৰ কাৰ্যসূচীৰ সামৰণি পৰে।

# মুছলপুৰত কেন্দ্ৰীয় চৰকাৰৰ ডিজিটেল হস্ততাঁত প্ৰশিক্ষণ কৰ্মশালা

**ই-সংবাদ, মুছলপুৰ, ২৭ ফেব্ৰুৱাৰীঃ** বিটিআৰৰ শিপিনীসকলক ডিজিটেল মাধ্যমেৰে বয়ন শিল্পৰ দ্বাৰা অৰ্থনৈতিক দিশত স্বাৱলম্বী কৰাৰ প্ৰয়াসেৰে আজি বাক্সা জিলাৰ মুছলপুৰত দুদিনীয়াকৈ এখন কৰ্মশালা অনুষ্ঠিত হয়। মুছলপুৰস্থিত হস্ততাঁত বস্ত্ৰশিল্প বিভাগৰ প্ৰশিক্ষণ কেন্দ্ৰৰ সভাকক্ষত "শিপিনীৰ জীৱিকাৰ অৰ্থে তথ্য আৰু যোগাযোগ প্ৰযুক্তি সঁজুলিৰ প্ৰয়োগ" শীৰ্ষক কৰ্মশালাখন আনুষ্ঠানিকভাৱে বন্তি প্ৰজ্বলন কৰি শুভ উদ্বোধন কৰে বিটিচি পৰিষদৰ হস্ততাত বস্ত্ৰ বিভাগৰ কাৰ্যবাহী সদস্য ধনঞ্জয় বসুমতাৰীয়ে। কেন্দ্ৰীয় চৰকাৰৰ ইলেক্ট্ৰনিক্স আৰু তথ্য প্ৰযুক্তি মন্ত্ৰালয়ৰ সহযোগত আৰু চিডেক, কলকতা তথা অসম চৰকাৰৰ হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগৰ উদ্যোগত আয়োজিত কৰ্মশালাত বিটিআৰ প্ৰশাসনৰ কেবাগৰাকী বিষয়া, প্ৰশিক্ষকে অংশ লয়। কৰ্মশালাত অংশগ্ৰহণ কৰি কাৰ্যবাহী সদস্য ধনঞ্জয় বসুমতাৰীয়ে এডভাণ্টেছ আছাম ২.০ৰ জৰিয়তে ৰাজ্য চৰকাৰে বিটিআৰৰ পাঁচখন জিলা সামৰি লোৱা বাবে ধন্যবাদ জনায়। তেওঁ কয় যে হস্ততাত বস্ত্ৰ উদ্যোগৰ জৰিয়তে বিটিআৰ অঞ্চলৰ নিবনুৱা যুৱক-যুৱতীক প্ৰশিক্ষণ প্ৰদান কৰি স্বাৱলম্বী কৰি তোলাৰ প্ৰচেষ্টা চলাই থকা হৈছে। বিগত তিনি বছৰত সমগ্ৰ বিটিআৰত তিনি হাজাৰ যুৱক-যুৱতীক প্ৰশিক্ষণ দিয়া হৈছে। এখন স্ব-নিৰ্ভৰশীল বিটিআৰ গঢ়ি তোলাৰ বাবেই বিভাগটোৱে কাম কৰি আহিছে। ইফালে, কৰ্মশালাত আদৰণি ভাষণ প্ৰদান কৰি বিটিআৰৰ হস্ততাত বস্ত্ৰ বিভাগৰ চি এইচ ডি হিৰণ্য দেৱীয়ে বিটিচি পৰিষদৰ নেতৃত্বত এই বিভাগটোৱে এক গতি লাভ কৰা বুলি উল্লেখ কৰে।

# সৰ্বভাৰতীয় নেট পৰীক্ষাত উজলিল মঙলদৈৰ পাহি আৰা বেগম

**ই-সংবাদ, মঙলদৈ, ২৭ ফেব্ৰুৱাৰীঃ** দৰং জিলাৰ মঙলদৈ বিধানসভা সমষ্টিৰ অন্তৰ্গত নগৰবাহীৰ কানাইচুবা গাঁৱৰ অতি পিছপৰা হেদায়েৎপুৰ চুবুৰীৰ নৌচাদ আলী আৰু মকছিদা বেগমৰ একমাত্ৰ কন্যা, তীক্ষ্ণ মেধা সম্পন্ন ছাত্ৰী পাহি আৰা বেগমে যোৱা বৰ্ষত শ্বিলঙৰ নেহু (NEHU) ৰ পৰা ভূগোল বিষয়ত সুখ্যাতিৰে স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰি সদ্য ঘোষিত সৰ্বভাৰতীয় ইউ জি চি নেট (NET) পৰীক্ষাত ৯৩.৬৪ শতাংশ(ট্ৰাইল) নম্বৰ লাভ কৰি সুখ্যাতিৰে উত্তীৰ্ণ হৈ অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। উল্লেখ্য যে তেওঁৰ পিতৃ পেছাত এগৰাকী চাহ দোকানী হোৱাৰ উপৰি কঠোৰ পৰিশ্ৰমী আৰু সৰবৰহী ব্যক্তি। সৰুৰে পৰাই পাহি আৰা বেগমৰ পঢ়াৰ প্ৰতি আছিল অপৰিসীম ধাউতি। সেই সূত্ৰে ২০১৭ চনত হাইস্কুল শিক্ষান্ত পৰীক্ষাত ষ্টাৰ নম্বৰ পাবলৈ সক্ষম হোৱাৰ পিছত উচ্চতৰ মাধ্যমিকতো ডিষ্টিংচনসহ অমসীয়া বিষয়ত ৰাজ্যৰ ভিতৰত সৰ্বোচ্চ নম্বৰ লাভ কৰিবলৈ সক্ষম হয়। সম্প্ৰতি ৰাজঘাটৰ নন্দন কানন বিদ্যালয়ৰ অবৈতনিক শিক্ষক হিচাপে সেৱা আগবঢ়াই থকা এই গৰাকী অমায়িক, মেধা সম্পন্ন ছাত্ৰীৰ এনে সাফল্যত সদৌ অসম গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদৰ মুখ্য উপদেষ্টা তথা বিশিষ্ট সাহিত্যিক-সাংবাদিক ড০ চহিৰ ভূঞা, দৰং গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদৰ সাধাৰণ সম্পাদক চাহাবুদ্দিন আহমেদ, সাংবাদিক সংগঠন আপকুৰ দৰং জিলা সমিতিৰ সভাপতি বাবুল মকছেদ আহমেদ, নগৰবাহী সাহিত্য সভা, নগৰবাহী ছাত্ৰ সন্থা, সাংস্কৃতিক সুৰক্ষা ন্যাসৰ প্ৰত্যয়ে অভিনন্দন জ্ঞাপন কৰিছে।

# পূব বৰালিমাৰীত প্ৰথম বাৰ্ষিক শৈক্ষিক আৰু মাতৃ সচেতন সমাৰোহ

**ই-সংবাদ, মৈৰাবাৰী, ২৭ ফেব্ৰুৱাৰীঃ** নগাঁও জিলাৰ পূব বৰালিমাৰী জাতীয় বিদ্যালয় প্ৰাঙ্গণত যোৱা ২৬ ফেব্ৰুৱাৰীত এখনি বিশাল মাতৃ সন্মিলনৰ আয়োজন কৰি শৈক্ষিক দিশত মাতৃসকলৰ মাজত সজাগতা বৃদ্ধিৰ লগতে শিশুসকলক গুণগত শিক্ষাৰে শিক্ষিত কৰি সমাজখনক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত মাতৃসকলৰ ভূমিকা আৰু কৰণীয় সন্দৰ্ভত সজাগতা সভা অনুষ্ঠিত কৰি বিশদভাৱে আলোচনা কৰা হয়। পূব বৰালিমাৰী জাতীয় বিদ্যালয়ৰ মুখ্য সঞ্চালক আবু নছৰ আনছাৰীৰ পৌৰোহিত্যত আৰু বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি মোজাম্মিল হুছেইনৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনত বহু কেইগৰাকী বিশিষ্ট শিক্ষাবিদ আৰু শিক্ষানুৰাগী ব্যক্তি উপস্থিতি থাকে। প্ৰতিজন বক্তাই মাতৃ সমাজক শৈক্ষিক দিশটোৰ প্ৰতি যত্ন লৈ, সজাগতা সৃষ্টি কৰি সমাজখনক ইতিবাচক দিশত আগবঢ়াই নিবলৈ মূল্যৱান ভাষণ আগবঢ়ায়। সভাত বিদ্যালয়খনৰ শৈক্ষিক দিশ সম্পৰ্কেও বিশেষভাৱে আলোচনা কৰি পূব বৰালিমাৰী জাতীয় বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীসকলক নামভৰ্তি কৰাই উপযুক্ত সুশিক্ষাৰে শিক্ষিত কৰি আগবঢ়াই নিবলৈ অভিভাৱকসকলক আহ্বান জনোৱাৰ লগতে বিদ্যালয় কৰ্তৃপক্ষ তথা শিক্ষাগুৰুসকলৰ প্ৰতি সন্তোস প্ৰকাশ কৰি ভূয়সী প্ৰশংসা কৰে।

# ডিব্ৰুগড়ৰ সুদক্ষ আৰক্ষী বিষয়া ৰাজেশ দেউৰীৰ স্মাৰক গ্ৰন্থ ‘দেৱদ্ৰুম’ উন্মোচন



**ই-সংবাদ, ডিব্ৰুগড়, ২৭ ফেব্ৰুৱাৰীঃ** ডিব্ৰুগড় জিলাৰ লক্ষ্মীনগৰ নিবাসী তথা এগৰাকী সুদক্ষ আৰক্ষী বিষয়া (অনাঁতাৰ বিভাগ) ৰাজেশ দেউৰীৰ এখনি আটকধুনীয়া স্মাৰক গ্ৰন্থ ‘দেৱদ্ৰুম’ আজি তেওঁৰ প্ৰথম মৃত্যু বাৰ্ষিকীত উন্মোচন কৰা হয়। এই উপলক্ষে প্ৰয়াত দেউৰীৰ বাসগৃহত আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ৩২০ পৃষ্ঠাৰ গ্ৰন্থখনি উন্মোচন কৰে বিশিষ্ট লেখক, খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ অৱসৰপ্ৰাপ্ত উপ-সঞ্চালক ভৰত সন্দিকৈয়ে। উন্মোচনী ভাষণত তেওঁ কয় যে এখন স্মাৰক গ্ৰন্থই এজন লোকৰ বিষয়ে জানিবৰ বাবে যিমান সুবিধা প্ৰদান কৰে সিমানখিনি আন স্মাৰকসমূহে সুবিধা প্ৰদান কৰিব নোৱাৰে। ইয়াৰ লগতে গ্ৰন্থখনিয়ে প্ৰয়াত দেউৰীক জনমানসত এক নতুন জীৱন দান দিয়াৰ বাবে সকলোকে ধন্যবাদ জ্ঞাপনৰ লগতে, গ্ৰন্থখনি প্ৰণয়নৰ দৰে মহৎ কাৰ্যত জড়িত থকা প্ৰয়াত দেউৰীৰ সহধৰ্মিনী প্ৰিয়লতা দেউৰীৰ ব্যৱস্থাপনা আৰু সম্পাদনাৰ স’তে জড়িত যুটীয়া সম্পাদক দেৱজিত হাজৰিকা আৰু তুলসী গোহাঁইকে ধৰি সংশ্লিষ্ট সকলোৰে শলাগ লয়। আৰক্ষী বিষয়া প্ৰয়াত দেউৰী বিগত ২০২৪ বৰ্ষৰ আজিৰ দিনটোতে বগীবিল দলঙৰ সমীপত সংঘটিত হোৱা এক পথ দুৰ্ঘটনাত নিহত হৈছিল। লিকাবালিত কৰ্মৰত এইগৰাকী আৰক্ষী বিষয়াৰ স্মৃতিত সহধৰ্মিনী আৰু পৰিয়ালবৰ্গৰ লগতে প্ৰয়াত দেউৰীৰ সহকৰ্মীসকলৰ সহযোগত আয়োজন কৰা উন্মোচনী অনুষ্ঠানটিৰ সঞ্চালনা কৰে অসমীয়া সাহিত্যৰ বিশিষ্ট সমালোচক তথা কানৈ কলেজৰ অসমীয়া বিভাগৰ অধ্যাপক, ঔপন্যাসিক ড০ মৃদুল শৰ্মাই। অনুষ্ঠানত উপস্থিত থাকি দেউৰী সাহিত্য সভাৰ প্ৰধান সম্পাদক অৰন দেউৰী, ‘দেৱদ্ৰুম’ৰ সম্পাদনা সমিতিৰ উপদেষ্টা দেৱানন্দ দেউৰী, সভাপতি ইন্দ্ৰেশ্বৰ দেউৰী, নৰেন্দ্ৰ নাথ দেউৰী, জ্যেষ্ঠ সাংবাদিক ৰতন হাজৰিকাই শুভেচ্ছামূলক বক্তব্য আগবঢ়ায়। আনহাতে, গ্ৰন্থখনিৰ সম্পাদনা সমিতিৰ হৈ যুটীয়া সম্পাদক তুলসী গোহাঁয়ে গ্ৰন্থখনিৰ প্ৰকাশৰ আঁৰৰ কথা ব্যক্ত কৰে। ‘দেৱদ্ৰুম’ৰ সম্পাদনা সমিতিৰ যুটীয়া সম্পাদক তথা ঔপন্যাসিক, লেখক দেৱজিত হাজৰিকাই আঁত ধৰা আৰু শলাগ জ্ঞাপন কৰা অনুষ্ঠানত প্ৰিয়লতা দেউৰীয়ে এই গ্ৰন্থখনি প্ৰকাশত সহযোগিতা কৰা সকলোৰে ধন্যবাদ জ্ঞাপন কৰি এক শুভ কাৰ্য সম্পাদিত হ’ল বুলি মন্তব্য কৰে। অনুষ্ঠানত প্ৰয়াত দেউৰীৰ স’তে একেলগে কৰ্মত যোগদান কৰা আৰু সম্প্ৰতি বিভিন্ন স্থানত কৰ্মৰত শিৱসাগৰ, যোৰহাট, লক্ষীমপুৰ, তিনিচুকীয়া, টিয়ক আদি স্থানৰ সহকৰ্মীসকলৰ লগতে মাতৃ হেলদা দেউৰী আৰু ওপজা গাঁও খোৱাং কলৌলোৱা দেউৰী গাঁৱৰ শতাধিক লোক উপস্থিত থাকে।

# শালমাৰা গৰখীয়া থানত শ্ৰীশ্ৰী মহা শিৱৰাত্ৰি পূজা উদযাপন

**ই-সংবাদ, বাইহাটা চাৰিআলি, ২৭ ফেব্ৰুৱাৰীঃ** কামৰূপ জিলাৰ শালমাৰা গোঁসাই দোভাপাৰস্থিত গৰখীয়া থান আঞ্চলিক শিৱ মন্দিৰ প্ৰাংগণত ২৬ ফেব্ৰুৱাৰীত ২২ সংখ্যক আঞ্চলিক শ্ৰীশ্ৰী মহা শিৱৰাত্ৰি পূজা উদযাপন কৰা হয়। পূজা উদযাপন সমিতিৰ মুখ্য সম্পাদক সৌৰভজ্যোতি গোস্বামী আৰু সম্পাদকদ্বয় জয়ন্ত ডেকা আৰু হিমাংশু ডেকাই জানিবলৈ দিয়া মতে শিৱপূজাৰ কাৰ্যসূচী অনুসৰি পুৱা ধৰ্মধ্বজা উত্তোলন কৰে স্থানীয় সমাজকৰ্মী তথা প্ৰাক্তন ছাত্ৰনেতা বনজিৎ ডেকাই। সমাজসেৱিকা উৰ্বশী চৌধুৰী আৰু প্ৰাক্তন অধ্যক্ষ ড০ চন্দ্ৰকান্ত গোস্বামীয়ে নাগাৰা নাম পৰিৱেশন কাৰ্যসূচী মুকলি কৰাৰ পিছতে শিৱপুৰাণ পাঠ আৰু বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। দিনজোৰা কাৰ্যক্ৰমণিকাৰে অনুষ্ঠিত শিৱপূজাৰ সমগ্ৰ কাৰ্যসূচীৰ আঁত ধৰে প্ৰাক্তন ছাত্ৰনেতা মৃণাল ডেকাই। উক্ত শিৱৰাত্ৰি পূজাৰ কাৰ্যসূচীত অসমৰ মুখ্যমন্ত্ৰীৰ ব্যক্তিগত সহায়ক প্ৰাণজিৎ ডেকা, ৰাজ্যিক সংখ্যালঘু মৰ্চাৰ উপ-সভাপতি তবিবৰ ৰহমান, বিজেপিৰ বেজেৰা মণ্ডলৰ নয়নমণি বৰা আৰু বেজেৰা মণ্ডল সংখ্যালঘু মৰ্চাৰ সভাপতি আমিনুল হকৰ লগতে কেইবাগৰাকীও ব্যক্তি উপস্থিত থাকে।

# সমাজকৰ্মী সুভাষ চন্দ্ৰ বৰাৰ অকাল বিয়োগ

**ই-সংবাদ, বেবেজীয়া, ২৭ ফেব্ৰুৱাৰীঃ** নগাঁও জিলাৰ হাতীচোং মৌজাৰ অন্তৰ্গত ৰাইদঙীয়াৰ ভাতিখণ্ড নিবাসী সমাজকৰ্মী, খাদী আৰু গ্ৰামোদ্যোগ ব’ৰ্ডৰ কৰ্মচাৰী সুভাষ চন্দ্ৰ বৰাৰ মঙলবাৰে অকাল বিয়োগ ঘটে। জানিব পৰা মতে, হৃদৰোগত আক্ৰান্ত বৰাক বিগত বৰ্ষৰ ডিচেম্বৰত গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত হাৰ্টৰ অস্ত্ৰোপচাৰ কৰা হৈছিল যদিও চিকিসালয়খনৰ চিকিৎসকৰ দায়িত্বজ্ঞানহীন কাণ্ডৰ বাবে তেওঁ ভুল চিকিৎসাৰ বলি হ’বলগীয়া হয়। পিছত পৰিয়ালৰ লোকে তেওঁক গুৱাহাটীৰ পৰা ঘূৰাই আনি নগাঁৱৰ এখন ব্যক্তিগত চিকিৎসালয়ত ভৰ্তি কৰায়। মঙলবাৰে পুৱাৰ ভাগত তেওঁ চিকিৎসাধীন অৱস্থাতে শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৫৯ বছৰ।

# অসম চিনটেক্স লিমিটেড কৰ্মী সন্থাৰ ছীল, পেইড ব্যৱহাৰ কৰা কাৰ্যক গৰিহণা

**ই-সংবাদ, বৰমা, ২৭ ফেব্ৰুৱাৰীঃ** অসম চিনটেক্স লিমিটেড কৰ্মী সন্থাৰ উপ-সভাপতি ৰুদ্ৰকান্ত গোস্বামী, সম্পাদক ৰঞ্জিত কলিতা আৰু সহঃ সম্পাদক চক্ৰপানি কলিতা স্বাক্ষৰিত এক বিবৃতিযোগে অসম চিনটেক্স লিমিটেড কৰ্মচাৰী সন্থাৰ সাধাৰণ সভা এখন যোৱা ২৩ ফেব্ৰুৱাৰীত নাথকুছি শিৱ মন্দিৰ প্ৰাংগণত অনুষ্ঠিত হোৱাৰ কথা উল্লেখ কৰি সভাত সন্থাৰ বছৰেকীয়া হিচাপ দাখিলকে ধৰি সন্থাৰ কামৰ অগ্ৰগতি সম্পৰ্কে আলোচনা কৰা হয় বুলি জানিবলৈ দিয়ে। বিবৃতিটোত সভাৰ সৰ্বসন্মতিমৰ্মে পাঁচজন নতুন সদস্য অন্তৰ্ভুক্ত আৰু তিনিজন হিচাপ পৰীক্ষক বাছনি কৰাৰ কথা উল্লেখ কৰিছে। ইপিনে, বিবৃতিটোত যোৱা ৯ ফেব্ৰুৱাৰীত কেইজনমান কৰ্মচাৰীয়ে সন্থাৰ নিয়ম নামানি অবৈধভাৱে এখন নতুনকৈ সমিতি গঠন কৰি সন্থাৰ ছীল, পেইড ব্যৱহাৰ কৰাৰ কথা উল্লেখ কৰিছে। এনে কাৰ্যক গৰিহণা দিয়ে পূৰ্বৰ সমিতিখনে। ইপিনে, ভৱিষ্যতে তেনে কাৰ্য নকৰিবলৈ সকীয়াই দিয়ে অসম চিনটেক্স লিমিটেড পূৰ্বৰ কৰ্মী সন্থাই।

# ধূপধৰাত গোৱালপাৰা জিলা ৰাভা ছাত্ৰ সন্থাৰ চতুৰ্দশ দ্বিবাৰ্ষিক অধিৱেশন

**ই-সংবাদ, ধূপধৰা, ২৭ ফেব্ৰুৱাৰীঃ** গোৱালপাৰা জিলা ৰাভা ছাত্ৰ সন্থা আৰু গোৱালপাৰা জিলা ৰাভা মহিলা পৰিষদৰ চতুৰ্দশ দ্বি-বাৰ্ষিক অধিৱেশন আৰু গোৱালপাৰা জিলা ষষ্ঠ অনুসূচী দাবী সমিতিৰ সপ্তম ত্ৰি-বাৰ্ষিক অধিৱেশন অহা ৯, ১০ আৰু ১১ এপ্ৰিলত তিনিদিনীয়া কাৰ্যসূচীৰে ধূপধৰাত অনুষ্ঠিত হ'ব। ধূপধৰা আঞ্চলিক ৰাভা ছাত্ৰ সন্থা, ধূপধৰা আঞ্চলিক ৰাভা মহিলা পৰিষদ আৰু ষষ্ঠ অনুসূচী দাবী সমিতিৰ উদ্যোগত তথা স্থানীয় ৰাইজৰ সহযোগত অনুষ্ঠিত হ'বলগীয়া এই অধিৱেশন অনুষ্ঠিত কৰা সন্দৰ্ভত আৰু এখন শক্তিশালী অভ্যৰ্থনা সমিতি গঠনৰ উদ্দেশ্যে আজি ধূপধৰাত এখন সাধাৰণ সভা অনুষ্ঠিত হয়। ধূপধৰা আঞ্চলিক ৰাভা ছাত্ৰ সন্থাৰ কাৰ্যালয়ৰ সন্মুখত থকা ধূপধৰা পিঠাৰ বায়খো দামত অনুষ্ঠিত সভাখনত সভাপতিত্ব কৰে ধূপধৰা আঞ্চলিক ৰাভা ছাত্ৰ সভাপতি নকুল চন্দ্ৰ ৰাভাই। এই সভাত আগন্তুক অধিৱেশনৰ প্ৰস্তুতি আৰু অভ্যৰ্থনা সমিতি গঠন সন্দৰ্ভত আলোচনা কৰা হয়। সভাত গোৱালপাৰা জিলা নিখিল ৰাভা মহিলা পৰিষদৰ সম্পাদিকা কবিতা ৰাভাসহ বিষয়ববীয়া, কলিতা জনগোষ্ঠী ছাত্ৰ সন্থাৰ উপদেষ্টা বিষ্ণু পাটগিৰী, গোৱালপাৰা জিলা ছাত্ৰ সন্থাৰ সম্পাদক কুকিল দাস, ধূপধৰা মিলন সংঘৰ সভাপতি ড০ আব্দুল হক আহমেদ, শ্ৰী শ্ৰী জগতগুৰু নামঘৰ সমাজৰ সভাপতি শিবেন্দ্ৰ পাটগিৰি, ধূপধৰা তিনিদলীয়া ৰাইজৰ উপ-সভাপতি সুবোধ কলিতা আৰু সম্পাদক তথা মুছলিম ৰাইজৰ সভাপতি ছাজ্জাদ গণি, গোৱালপাৰা জিলা ৰাভা ছাত্ৰ সন্থাৰ সভাপতি বিৰঞ্জন ৰাভা, সম্পাদক তিলক ৰাভা, দুধনৈ পূৰ্বাঞ্চল ৰাভা সমাজৰ সম্পাদক দিগন্ত ৰাভা, নিখিল ৰাভা ছাত্ৰ সন্থাৰ ৰত্নেশ্বৰ ৰাভা, বিকালী মহাবিদ্যালয়ৰ প্ৰবক্তা অমল ৰাভা, ক্ৰীড়া পেঞ্চনাৰ তাজমহল হুছেইন, গোৱালপাৰা জিলা ক্ৰীড়া সন্থাৰ উপ-সভাপতি ইনামুল আহমেদ প্ৰমুখ্যে কেবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। পৰৱৰ্তী সময়ত এই অধিৱেশন সুচাৰুৰূপে পৰিচালনা কৰাৰ বাবে সভাত সুবোধ কলিতাক সভাপতি, সুকান্ত বসাকক কাৰ্যকৰী সভাপতি, দিগন্ত ৰাভা, বিভূতি কলিতা আৰু তাজমহল হুছেইনক উপ-সভাপতি, তিলক ৰাভাক সম্পাদক, কুকিল দাস, বিঞ্জুমোহন ৰাভা, ৰূপম ৰাভা, ধনেশ্বৰ হাজং আৰু প্ৰাণজিত দাসক সহকাৰী সম্পাদক হিচাপে লৈ লগতে কেবাখনো উপ-সমিতিৰে এখন অভ্যৰ্থনা সমিতি গঠন কৰা হয়।



# আজিৰে পৰা কন্দলী পাহাৰত ঐতিহাসিক বাদুলী খোৰোং মেলা

**ই-সংবাদ, বেবেজীয়া, ২৭ ফেব্ৰুৱাৰীঃ** নগাঁও জিলাৰ দক্ষিণ-পূব প্ৰান্তত অৱস্থিত ইতিহাস প্ৰসিদ্ধ কন্দলী পাহাৰত বিগত বৰ্ষবোৰৰ দৰে এইবেলিও কাইলৈৰ পৰা বিস্তৃত কাৰ্যক্ৰমণিকাৰে ঐতিহাসিক বাদুলী খোৰোং মেলা অনুষ্ঠিত হ'ব। কাইলৈ পুৱা ৭ বজাত পতাকা উত্তোলন আৰু বন্তি প্ৰজ্বলনেৰে উক্ত মেলা উৎসৱৰ শুভাৰম্ভ ঘটোৱাৰ পিছতেই বাদুলী খোৰোঙৰ দ্বাৰ মুকলি, খোৰোং প্ৰদৰ্শন আদি বিভিন্ন কাৰ্যসূচীৰ লগতে ওৰে দিনটো অবিৰতভাৱে নাম-কীৰ্তন অনুষ্ঠিত কৰা হ'ব। তদুপৰি বাকী দিনকেইটাত নানা সাংস্কৃতিক মনোৰম কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। স্মৰ্তব্য যে, নানা আখ্যান আৰু জনশ্ৰুতিৰে সাঙুৰ খাই থকা এই মেলা উৎসৱলৈ অসমৰ বিভিন্ন প্ৰান্তৰ পৰা হাজাৰ হাজাৰ উৎসুক জনতাৰ আগমন হয় আৰু মেলাস্থলী একপ্ৰকাৰে জনসমুদ্ৰত পৰিণত কৰি তোলে। প্ৰণিধানযোগ্য যে, ইতিহাস বিজড়িত কন্দলী অঞ্চলৰ এটি শিলাময় পাহাৰৰ বুকুতেই লুকাই আছে এটি বিস্ময়কৰ গুহা। যি জনসমাজত বাদুলী খোৰোং নামেৰে পৰিচিত। ঐতিহাসিক এই আশ্চৰ্যকৰ খোৰোংটোত যুগ যুগ ধৰি শত-সহস্ৰ বাদুলী একেলগে বসবাস কৰি আহিছে। জনবিশ্বাস মতে, এই বাদুলীবোৰ হেনো ঋষিৰ শাপত বন্দী হৈ থকা নাৰীৰূপী বাদুলীহে। স্থানীয় লোকৰ মতে, প্ৰাক্ বৈষ্ণৱ যুগত কন্দলীত ৰাণী প্ৰমিলাই ৰাজত্ব কৰা নাৰী ৰাজ্যত এই বিস্ময়কৰ শিলৰ গুহাটো আছিল। যিহেতু এই ৰাজ্যত কেৱল মাত্ৰ নাৰীয়েহে বসবাস কৰিছিল। সেয়ে ইয়াত পুৰুষৰ প্ৰৱেশ একেবাৰে নিষিদ্ধ আছিল। এদিন এগৰাকী ঋষিয়ে কৌতূহল দমাব নোৱাৰি নাৰীসকলে গুহাতনো কি কৰে আৰু কেনেদৰে থাকে তাক চাবৰ বাবে গুহাত সোমাওঁতে গুপ্তচৰৰ হাতত ধৰাত ৰাণী প্ৰমিলাই ঋষিজনক শিলত ওলোমাই কঠোৰ শাস্তি প্ৰদান কৰে। কাজেই, নাৰীসকলৰ এনে কাৰ্যত লাজে-অপমানে ঋষিজনে খঙত টিঙিৰ তুলা হৈ ৰাজ্যৰ নাৰীসকলক গুহাৰ শিলত বাদুলী হৈ ওলমি থাকিবলৈ শাও দিয়াত সকলো নাৰী লগে লগে বাদুলী হৈ গুহাৰ শিলত ওলমি ৰয় আৰু এই গুহাত আজিও আবদ্ধ হৈ থকা হাজাৰ হাজাৰ বাদুলীবোৰেই সেই অভিশপ্ত নাৰীসকল বুলি অতীজৰে পৰা মানুহে বিশ্বাস কৰি আহিছে। আনকি বাদুলীবোৰ হেনো ঋষিৰ শাপৰ বাবেই গুহাৰ নিৰ্দ্দিষ্ট সীমা অতিক্ৰম কৰি কেতিয়াও বাহিৰলৈ নাযায়। ইফালে, পূৰ্বৰে পৰা এই গুহাৰ সৈতে স্থানীয় লোকসকলৰ এক ওতঃপোত সম্পৰ্ক জড়িত হৈ আছে। জানিব পৰা মতে, কাষৰীয়া তিৱা লোকসকলৰ "ছগ্ৰা মিছৱা" অৰ্থাৎ বসন্ত উৎসৱৰ নৃত্যৰ অত্যাৱশ্যকীয় সাজ-পাৰবোৰ বাদুলী খোৰোঙৰ পৰা অনাৰ এক পৰম্পৰাগত প্ৰথা ইয়াৰ লগত জড়িত হৈ আছে। উৎসৱৰ আগদিনা নৃত্য কৰোঁতাসকলে প্ৰয়োজনীয় সাজ-পাৰ বিচাৰি পূজা-পাতল দিয়াৰ উপৰি গুহাত এখন শৰাই থৈ আহে আৰু পিছদিনা তেওঁলোকে গুহাৰ ফালৰ পৰা শৰাইত



থকা সাজ-পাৰবোৰ লৈ আহে। এই প্ৰথা অতীজৰে পৰা পৰম্পৰাগতভাৱে চলি আহিছিল যদিও কেতবোৰ অসাধু লোকে কাপোৰ ঘূৰাই নিদিয়া আৰু কাপোৰৰ ফুলৰ নমুনা চুৰি কৰাৰ বাবেই সম্প্ৰতি খোৰোঙৰ পৰা কাপোৰ অনাৰ নিয়ম নাইকিয়া হৈ গৈছে। উল্লেখ্য যে, বাদুলী খোৰোঙৰ কাষতে থকা প্ৰকাণ্ড শিলৰ নাওখনেৰে বোলে অতীজত এই সাজ-পোছাকবোৰ সংগ্ৰহ কৰিছিল। আনহাতে, গুহাটোৰ প্ৰৱেশদ্বাৰৰ পৰা পৰা সাত নং কক্ষত শিৱ-পাৰ্বতীৰ মূৰ্তি থকা এখন থান আছে। তদুপৰি গুহাৰে তিনি কিল'মিটাৰ মান আগুৱাই গ'লেই বামুণী পাহাৰত থকা বামুণী গোঁসাই থান পোৱা যায়। অতীজতে বোলে মানুহ বামুণী গোঁসাই থানৰ পথেৰে গোপনে কন্দলীলৈ অহা-যোৱা কৰিছিল। ইফালে, বাদুলী খোৰোঙৰ আশে-পাশে থু পেলোৱা আৰু প্ৰস্ৰাৱ কৰা লোকৰ নানা ধৰণৰ বেমাৰ-আজাৰ,হানি-বিঘিনি ঘটাৰ বহু প্ৰবাদ বৰ্তমানেও ৰাইজৰ মাজত প্ৰচলিত হৈ আছে। প্ৰকাশ যে, কেইবছৰমান আগলৈকে বাদুলী খোৰোঙৰ বিষয়ে বিশেষ জনাজাত নাছিল। কিন্তু চাকৰি সূত্ৰে এই কন্দলী অঞ্চললৈ অহা জিলাখনৰ জাজৰি নিবাসী আব্দুল ৰহমান নামৰ এজন লোকে স্থানীয় কেইবাজনো লোকক লগত লৈ খোৰোঙৰ লুপ্ত ইতিহাস সৰ্বত্ৰে বহুলভাৱে প্ৰচাৰৰ মহৎ উদ্দেশ্য আগত ৰাখি বিশেষ কাৰ্যকৰী পদক্ষেপ গ্ৰহন কৰে। যাৰ অংশ হিচাপে ২০০১ চনৰ পৰা আজিৰ তাৰিখলৈকে নিৰৱচ্ছিন্নভাৱে প্ৰতিবছৰে শিৱৰাত্ৰিৰ এদিন পিছৰে পৰা ব্যাপক উৎসাহ-উদ্দীপনাৰ মাজেৰে এই মেলা উৎসৱ অনুষ্ঠিত কৰি অহা হৈছে। অগণন ভক্তৰ সমাবেশেৰে উদুলি-মুদুলি হৈ পৰা উক্ত মেলা উৎসৱৰ দিনকেইটাত ভক্তই নিজৰ মনোবাঞ্ছা পূৰণৰ অৰ্থে আৰু পূণ্য অৰ্জনৰ পৰম মানসেৰে এগছিকৈ বন্তি জ্বলায়। এইবাৰ ৰূপালী জয়ন্তী বৰ্ষত পদাৰ্পণ কৰা উপলক্ষে আয়োজক সমিতিয়ে মেলা উৎসৱটি বিস্তৃত কাৰ্যক্ৰমণিকাৰে অনুষ্ঠিত কৰাৰ অৰ্থে প্ৰস্তুতি ইতিমধ্যে সম্পূৰ্ণ কৰি তুলিছে। কিন্তু পৰিতাপৰ কথা যে কিম্বদন্তীৰে ভৰা বিস্ময়কৰ এই বাদুলী খোৰোঙটি উপযুক্ত ৰক্ষণাবেক্ষণেৰে পৰ্যটকৰ আকৰ্ষণীয় থলী হিচাপে গঢ়ি তুলিবলৈ চৰকাৰে আজিকোপতি বিশেষ গুৰুত্ব আৰোপ কৰা নাই । তদুপৰি আন এক কথা হৈছে এই খোৰোঙত বাদুলীৰ সংখ্যা ক্ৰমান্বয়ে হ্ৰাস পাই অহাটো। খোৰোঙত খাদ্যৰ অভাৱত পৰি দিনক দিনে বাদুলীৰ সংখ্যা হ্ৰাস পাবলৈ ধৰিছে। চৰকাৰক উপযুক্ত পদক্ষেপ গ্ৰহণেৰে ঐতিহাসিক বাদুলী খোৰোঙটি ধ্বংসৰ গৰাহৰ পৰা উদ্ধাৰ কৰিবলৈ নগাঁও সচেতন মহলে দাবী জনাইছে।

# আৰক্ষীৰ নিদ্ৰা হৰণ, চামতা আৰক্ষী চকীৰ নিচেই কাষতে চোৰৰ লুটপাত

**ই-সংবাদ, চামতা, ২৭ ফেব্ৰুৱাৰীঃ** পশ্চিম নলবাৰীত দিনক দিনে বৃদ্ধি পাইছে চুৰি কাৰ্যৰ ঘটনা। নলবাৰীৰ জিলাৰ বেলশৰ আৰক্ষী থানাৰ অন্তৰ্গত চামতা আৰক্ষী চকীৰ প্ৰায় দুশ মিটাৰ নিলগত খাটাৰুপিয়া বাথান গাঁৱৰ অৱসৰপ্ৰাপ্ত শিক্ষক ধীৰেন্দ্ৰ নাথ শৰ্মা ঘৰত যোৱা নিশা চোৰে লুটপাত চলায়। জানিব পৰা মতে, ধীৰেন্দ্ৰ নাথ শৰ্মা আৰু তেওঁৰ পত্নী গীতাঞ্জলী দেৱীয়ে কুলবিল শিৱালয়ত শিৱ পূজাৰ অনুষ্ঠানলৈ গৈছিল। নিশা ঘৰত কোনো নথকাৰ সুযোগত চোৰে পিছফালৰ দুৱাৰ ভাগি সোণৰ আ-অলংকাৰৰ লগতে নগদ ধন লুটি লৈ যায়। ঘটনাস্থলীত আৰক্ষী নিশাই উপস্থিত হৈ তদন্ত আৰম্ভ কৰে। পশ্চিম নলবাৰী অঞ্চলত স্কুল, কলেজ, বাসগৃহ, মঠ-মন্দিৰ, মছজিদত এনেদৰে চুৰি কাৰ্য সংঘটিত হোৱাৰ লগতে মটৰ চাইকেল, পশুধন সঘনে চুৰি হৈ আহিছে। আনহাতে মঙলবাৰে নিশাও বেলশৰ থানাৰ অন্তৰ্গত জাগাৰা গাঁৱৰ পশ্চিম চুবুৰীৰ ইছলাম আলীৰ ঘৰৰ গোহালীৰ তলা ভাঙি চোৰে দুজনী খিৰতী খাইগৰু চুৰি কৰি লৈ যায়। সঘনাই হৈ থকা এনে চুৰিকাৰ্যত অতিষ্ঠ হৈ সচেতন মহলে আৰক্ষীৰ ভূমিকাক তীব্ৰ সমালোচনা কৰিছে। চোৰৰ উপদ্ৰৱৰ পৰা ৰাইজক পৰিত্ৰাণ দিবলৈ এতিয়া বেলশৰ আৰক্ষী থানাৰ লগতে চামতা আৰক্ষী চকীয়ে কি পদক্ষেপ গ্ৰহণ কৰে সেয়া পৰৱৰ্তী সময়ত লক্ষণীয় হ'ব।

# আলোপতিত কংগ্ৰেছত ব্যাপক খহনীয়া, ইউ ডি এফত যোগদান

**ই-সংবাদ, নগৰবেৰা, ২৭ ফেব্ৰুৱাৰীঃ** বৰপেটা জিলাৰ নৱগঠিত চেঙা সমষ্টিৰ অন্তৰ্গত আলোপতি মাজৰচৰ গাঁও পঞ্চায়তৰ আলোপতি গাঁৱত আজি ৪২ গৰাকী কংগ্ৰেছ সদস্যই দল ত্যাগ কৰি এ আই ডি এফত দলত যোগদান কৰে। চেঙা বিধানসভা সমষ্টিৰ বিধায়ক আশ্ৰাফুল হুছেইনৰ উপস্থিতিত আলোপতিৰ ছাইফুৰ ৰহমানৰ বাসগৃহত অনুষ্ঠিত যোগদান অনুষ্ঠানত এআইইউডিএফৰ ব্লক উপ-সভাপতি আবু ৰিজুৱানৰ নেতৃত্বত এই যোগদান কাৰ্যসূচী অনুষ্ঠিত হয়। এ আই ইউ ডি এফৰ নীতি আদৰ্শৰ প্ৰতি আকৃষ্ট হৈ কংগ্ৰেছ দল ত্যাগ কৰি এ আই ইউ ডি এফ দলত যোগদান কৰা বুলি মত পোষণ কৰে দলত্যাগী কংগ্ৰেছ কৰ্মীসকলে। আলোপতি মাজৰ চৰ আঞ্চলিক সভাপতি ময়নুল হকৰ সভাপতিত্বত অনুষ্ঠিত সভাত বিধায়ক আশ্ৰাফুল হুছেইনে বামুন দংৰাৰ পৰা নগৰবেৰালৈ এখন দলং নিৰ্মাণ, চৰাঞ্চলৰ মাটিৰ পট্টা, যোগাযোগ ব্যৱস্থা, নাৰী শিক্ষা, ডি ভোটাৰৰ সমস্যা, নাগৰিকত্বৰ সমস্যা আদি বিভিন্ন সমস্যা সমাধান সন্দৰ্ভত ৰাইজৰ আগত বক্তব্য প্ৰদান কৰে। তেওঁ লগতে নতুনকৈ দলত যোগদান হোৱা সকলোকে আন্তৰিক অভিনন্দন জনাই অনাগত দিনত যাতে দলটোক আৰু আগুৱাই লৈ যাব পাৰে তাৰ বাবে আশা ব্যক্ত কৰে। ব্লকৰ মুখ্য সাংগঠনিক সম্পাদক আবু শ্বামা আহমেদে আঁত ধৰা সভাত উপস্থিত থাকে ব্লক সভাপতি আব্দুল জলিল মণ্ডল, ব্লক উপ-সভাপতি এম মুচুৰ উদ্দিন, উপ-সভাপতি আবু ৰেজুৱান, ব্লক মহিলা মৰ্চা সভানেত্ৰী মফিদা আহমেদ, ৰফিকুল ইছলাম আদি কৰি বহুকেইজন দলীয় নেতা-কৰ্মী।

# গোলকগঞ্জৰ হত্যাকাণ্ডত জড়িত তৃতীয় জন অভিযুক্তক আটক

**ই-সংবাদ, গোলকগঞ্জ, ২৭ ফেব্ৰুৱাৰীঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ থানাৰ অন্তৰ্গত উত্তৰ ৰায়পুৰ প্ৰথম খণ্ড গাঁৱৰ আমতলাত যোৱা ২২ ফেব্ৰুৱাৰীৰ নিশা চোৰৰ সন্দেহত এজন নিৰীহ লোকক মৰিয়াই মৰিয়াই হত্যা কৰা ঘটনাত জড়িত তৃতীয়জন অভিযুক্তক যোৱা নিশা আৰক্ষীয়ে আটক কৰে। আটকাধীন লোকজন উত্তৰ টোকৰেৰছৰা গোলকগঞ্জ এক নং ৱাৰ্ডৰ গোলাপ উদ্দিনৰ পুত্ৰ জমছেৰ আলী (৩৪)। জানিব পৰা মতে, বিষখোৱা পঞ্চম খণ্ড লাউখোৱাকুটী গাঁৱৰ জগদীশ চন্দ্ৰ বৰ্মন ২২ ফেব্ৰুৱাৰীৰ নিশা বিচনদৈ গাঁৱৰ এখন বিয়া ঘৰৰ পৰা গোলকগঞ্জৰ এখন বিয়াত যোৱাৰ সময়তে উত্তৰ ৰায়পুৰ প্ৰথম খণ্ড আমতলা পথত একাংশ লোকে চোৰৰ সন্দেহত ধৰি মাৰপিট কৰে। ইয়াতে ক্ষান্ত নাথাকি কাষতে থকা ছফৰুদ্দিন সেখৰ ঘৰত চোঁচৰাই নি হাত-ভৰি ৰছীৰে বান্ধি পাশৱিক নিৰ্যাতন চলায়। খবৰ পাই গোলকগঞ্জ আৰক্ষী মুমূৰ্ষু অৱস্থাত জগদীশক উদ্ধাৰ কৰি ধুবুৰী চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰে। অৱস্থা সংকটজনক হোৱাত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পাতালত প্ৰেৰণ কৰে। এই সন্দৰ্ভত পৰিয়ালৰ লোকে এজাহাৰ দিয়াত আৰক্ষীয়ে ২৩ ফেব্ৰুৱাৰীত ছফৰুদ্দিন সেখ (৫৯)ক গ্ৰেপ্তাৰ কৰে। পিছদিনা ধুবুৰী আদালতত হাজিৰ কৰি আৰক্ষীয়ে নিজৰ জিম্মাত লয়।



২৪ ফেব্ৰুৱাৰীৰ নিশা গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন অৱস্থাত জগদীশৰ মৃত্যু হয়। তেওঁৰ মৃত্যুৰ বাতৰি প্ৰচাৰ হোৱাৰ পিছতেই গোলকগঞ্জত তীব্ৰ উত্তেজনাৰ সৃষ্টি হয়। ৰাষ্ট্ৰীয় বজৰং দল আৰু অবিভক্ত গোৱালপাৰা আক্ৰাছুৰ যৌথ উদ্যোগত স্থানীয় কেইবা শতাধিক লোকে গোলকগঞ্জ থানা ঘেৰাও কৰি দোষীক গ্ৰেপ্তাৰ কৰি দৃষ্টান্তমূলক শাস্তিৰ দাবী জনায়। ইয়াৰ পিছতেই আৰক্ষীয়ে অভিযান চলাই ছফিৰুদ্দিনৰ পুত্ৰ আমিনুৰ সেখ(২৭)ক আটক কৰে। বাকী ছয় জন অভিযুক্তক বিচাৰি অভিযান চলাই থকাৰ মাজতে যোৱা নিশা হালাকুৰাৰ বিদ্যাৰডাবৰী পঞ্চম খণ্ড গাঁৱত গোলকগঞ্জ আৰক্ষীয়ে অভিযান চলাই জমছেৰ আলীক আটক কৰিবলৈ সক্ষম হয়।

## কৰ্মচাৰীক জেইললৈ প্ৰেৰণ

# মঙলদৈৰ নিচামুক্তি কেন্দ্ৰত থকা ৰোগীক পাশৱিক অত্যাচাৰ

**ই-সংবাদ বিশেষ, মঙলদৈ, ২৭ ফেব্ৰুৱাৰীঃ** মঙলদৈ চহৰৰ ২ নম্বৰ ৱাৰ্ডৰ ষ্টেডিয়াম পথত থকা আন্তঃৰাষ্ট্ৰীয় গৰু ব্যৱসায়ী ইন্তাজ হকৰ অট্টালিকাৰ এটা অংশ ভাড়া লৈ দুই নম্বৰ ৱাৰ্ডৰেই মিনাজুদ্দিন আহমেদ(মিণ্টু) নামৰ যুৱক এজনে তেওঁৰ কেইগৰাকীমান সহযোগীৰ সৈতে গ্ৰেছ ফিউণ্ডেচন নামেৰে এটা নিচামুক্তি কেন্দ্ৰ খুলিছিল। এই কেন্দ্ৰটোত অবৈধ ড্ৰাগছকে ধৰি বিভিন্ন নিচাজাতীয় দ্ৰব্য সেৱন কৰা বিপথগ্ৰস্ত যুৱকসকলক পৰিয়ালৰ লোকে ধন খৰচ কৰি পুনৰ সুপথলৈ ঘূৰাই অনাৰ বাবে ৰাখিছিল। শেহতীয়াকৈ এই গ্ৰেছ ফাউণ্ডেচনত ৩০ গৰাকী নিচাসেৱন কৰা ৰোগী আছিল। কিন্তু এই ৰোগীসকলৰ ভিতৰৰ এগৰাকী ১৪ বছৰীয়া কিশোৰক কেন্দ্ৰটোৰ পৰিচালকসকলে দুদিন পূৰ্বে উলংগ কৰি অমানুষিক অত্যাচাৰ কৰি পাশৱিক আনন্দ লৈছিল। কিশোজজনক তেওঁলোকে গুৰিয়াই গুৰিয়াই প্ৰহাৰ কৰাৰ দৃশ্য তেওঁলোকৰ মাজৰেই কোনোবাই ম'বাইলত ৰেকৰ্ডিং কৰিছিল আৰু এই দৃশ্য সামাজিক মাধ্যমত ভাইৰেল হৈছিল। সামাজিক মাধ্যমত এই দৃশ্য দেখি দৰঙৰ জিলা পৰ্যায়ৰ ড্ৰাগছ নিচামুক্তি পুনৰ্বাসন সমিতিৰ সদস্য তথা দৰঙৰ অতিৰিক্ত আৰক্ষী অধীক্ষক (অপৰাধ) ৰ'জী তালুকদাৰ আৰু সমিতিৰ সদস্য উক্ত গ্ৰেছ ফাউণ্ডেচনত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লয়। তেওঁলোকে এই কেন্দ্ৰটোৰ মুখ্য পৰিচালক মিনাজুদ্দিন আহমেদ ওৰফে মিণ্টুৰ লগতে আন চাৰিগৰাকী সহযোগী ক্ৰমে ইনামুল হক, পৰ্ণজ্যোতি শইকীয়া, চাহেদ আলী ইছলাম আৰু চাহিল জামান ওৰফে বিকিক আটক কৰি মঙলদৈ থানাত ৪১/২৫ নম্বৰত এটা গোচৰ ৰুজু কৰি তদন্ত অব্যাহত ৰাখিছে। এই লোকসকলক ভাৰতীয় ন্যায় সংহিতাৰ ৩(৫)/১১৭(২)/১১৮(২), ৩৫১(৩), আৰ/ডব্লিউ চেকচন ১২/২১ আইনত কৰায়ত্ত কৰি মঙলদৈৰ জে'ললৈ প্ৰেৰণ কৰে। আনহাতে, পৰিচালকসকলক আৰক্ষীয়ে আটক কৰি থানালৈ লৈ যোৱাৰ পাছত নিচামুক্তি কেন্দ্ৰটোত থকা প্ৰায় ৩০ গৰাকী নিচাসক্ত ৰোগী পলায়ন কৰে। এই ঘটনাৰ খবৰ পাই মন্ত্ৰী পীযুজ হাজৰিকাৰ নিৰ্দেশত ৰাজ্যিক মাদক দ্ৰব্য নিবাৰণী পৰিষদৰ উপাধ্যক্ষ জিতু বৰগোঁহাই আৰু সদস্য যুগব্ৰত হাজৰিকা মঙলদৈত উপস্থিত হৈ মঙলদৈৰ গ্ৰেছ ফাউণ্ডেচন নামৰ নিচামুক্তি কেন্দ্ৰটো পৰ্যবেক্ষণ কৰে। পৰ্যবেক্ষণ কালত তেওঁলোকে কেন্দ্ৰটোৰ ৰোগীসকলৰ বাবে ভাল বিছনা, উপযুক্ত খাদ্য, চিকিৎসা ব্যৱস্থা, কাউঞ্চেলিঙৰ ব্যৱস্থা আদিৰ অভাৱ প্ৰত্যক্ষ কৰে বুলি জানিব পৰা গৈছে। সম্পূৰ্ণ সুবিধা নথকা এই গ্ৰেছ ফাউণ্ডেচন নামৰ নিচামুক্তি কেন্দ্ৰটো বন্ধ কৰাৰ নিৰ্দেশ দি দৰং জিলা প্ৰশাসনৰ সৈতে যোগাযোগ কৰে। ৰাজ্যিক মাদক দ্ৰব্য নিবাৰণী পৰিষদৰ উপাধ্যক্ষ জিতু বৰগোঁহায়ে কয় যে কাঠফুলাৰ দৰে যধে-মধে নিচামুক্তি কেন্দ্ৰ খুলিলেই নহ'ব, চৰকাৰী সকলো নিয়ম-নীতি মানিব লাগিব আৰু ৰোগীসকলক উপযুক্ত সুবিধা প্ৰদান কৰিব লাগিব। তেওঁ সাংবাদিকৰ আগত কয় যে মঙলদৈ অঞ্চলত গঢ় লৈ উঠা সকলো ৰিহেবিলিটেছন চেণ্টাৰ চৰকাৰৰ নিয়ম-নীতি অনুসৰি চলিব লাগিব আৰু তেওঁলোকে সময়ে সময়ে পৰিদৰ্শন কৰিব।

# বাঘমাৰা চৰ বজাৰ পৰিচালনা সমিতিৰ শপতগ্ৰহণ

**ই-সংবাদ, শিমলীতোলা, ২৭ ফেব্ৰুৱাৰীঃ** বৰপেটা জিলাৰ চেঙা সমষ্টিৰ অন্তৰ্গত বাঘমাৰা চৰ বজাৰ পৰিচালনা কমিটিৰ ২০২৪ বৰ্ষৰ নতুন কমিটি গঠনৰ পিছত আজি আনুষ্ঠানিকভাৱে কমিটিখনৰ শপতগ্ৰহণ অনুষ্ঠান সুকলমে সম্পন্ন হৈ যায়। সম্পাদক ছোলেমান আলী সৰকাৰে উদ্দেশ্য বাখ্যা কৰা উক্ত সভাত বাঘমাৰা চৰ বজাৰ পৰিচালনা কমিটিৰ নতুন সমিতিৰ সভাপতি আবু মুছাৰ সভাপতিত্বত আনুষ্ঠানিকভাৱে শপতবাক্য পাঠ কৰোৱাই বাঘমাৰা চৰ ছিঃ ছেঃ স্কুলৰ অধ্যক্ষ তাইজুদ্দিন সৰকাৰে। উক্ত সভাত নতুন কমিটিৰ সভাপতি আবু মুছা, উপ-সভাপতি স্বৰবেস আলী আৰু সম্পাদক ছোলেমান আলী সৰকাৰে ধৰি মুঠ ২৫ জনীয়া নতুন কমিটীৰ সদস্যই আনুষ্ঠানিকভাৱে শপত লয়। অৱসৰপ্ৰাপ্ত শিক্ষক ক্ৰমে তৈয়ব আলী শ্বেখ, জাফৰ আলী খান, হাকিম উদ্দিন আহমেদ, আয়নাল হক, বিশিষ্ট মুৰব্বী আলহাজ খলিলুৰ ৰহমান, আব্দুল বাৰিক, আমিৰ আলী, প্ৰবক্তা আঃ ওৱাহাব চৌধুৰী, শিমলিতোলা বজাৰ পঃ কমিটিৰ সভাপতি আলহাজ সাহজাহান আলী, শিমলিতোলা বজাৰ পঃ কমিটিৰ প্ৰাক্তন সভাপতি আলতাপ হুছাইন, ব্যৱসায়ী আনোৱাৰ হুছাইন, বাঘমাৰা চৰ গাঁও পঞ্চায়ত সমবায় সমিতিৰ সভাপতি এম মুছুৰুদ্দিন আহমেদ, আদি কৰি বহুকেইজন গণ্য-মান্য ব্যক্তি উক্ত সভাত উপস্থিত থাকি বাঘমাৰা চৰ বজাৰৰ উন্নয়ন সম্পৰ্কে বিভিন্ন ধৰণৰ পৰামৰ্শ আগবঢ়ায়।

# শিঙিমাৰীত ৪০ মিনিট পলমকৈ অনুষ্ঠিত মেট্ৰিক পৰীক্ষা

**ই-সংবাদ, বৈঠালাংছ', ২৭ ফেব্ৰুৱাৰীঃ** পুনৰবাৰ এক অনাকাংক্ষীত পৰিৱেশে মেট্ৰিক পৰীক্ষাটোক আগুৰি ধৰিছে। বিগত কেবাবছৰো ধৰি মেট্ৰিক পৰীক্ষাত বেমেজালি সংঘটিত হৈ অহাৰ দৰে এইবছৰো বিভিন্ন স্থানত বিশৃংখল পৰিৱেশৰ উদ্ভৱ হোৱা বাতৰি আহিছে। এইবাৰ মেট্ৰিক পৰীক্ষাত অনাকাংক্ষীত এক ঘটনা সংঘটিত হল নগাঁও জিলাৰ শিঙিমাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত। আজি মেট্ৰিক পৰীক্ষাৰ সমাজ বিজ্ঞানৰ পৰীক্ষা আছিল। পুৱা ৮.৪৫ বজাতেই পৰীক্ষাৰ্থীসকলে পৰীক্ষা গৃহত প্ৰৱেশ কৰে। শিক্ষকে প্ৰশ্ন কাকত বিতৰণ কৰিবলৈ লৈ শ'লঠেকত পৰে। ফলত ৪০ মিনিট পলমকৈ অনুষ্ঠিত হয় মেট্ৰিকৰ পৰীক্ষা। কিয়নো এই চল্লিশ মিনিটতে শিক্ষকসকলে কচুৱা থানাৰ পৰা পুনৰ প্ৰশ্ন কাকতৰ আন এটি টোপোলা আনিহে পৰীক্ষা অনুষ্ঠিত কৰে। বিদ্যালয় কৰ্তৃপক্ষৰ ভুলৰ বাবেই এই বিসংগতি হোৱাৰ অভিযোগ। উল্লেখযোগ্য যে পৰীক্ষা কেন্দ্ৰটো মুঠ ৩৫৫ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হৈছে যদিও প্ৰায় ৪০ মিনিট পলমকৈ ১৬৫ জন পৰীক্ষাৰ্থীয়ে প্ৰশ্নকাকত পাবলৈ সক্ষম হয়। ইপিনে কচুৱা আৰক্ষীৰ থানাৰপৰা পৰীক্ষাৰ ইনচাৰ্জগৰাকীয়ে কেৱল ১৯০ খন সমাজ বিজ্ঞানৰ প্ৰশ্ন কাকত পলমকৈ অনাৰ ফলত এই বিসংগতি হোৱাৰ অভিযোগ অভিভাৱক তথা পৰীক্ষাৰ্থীৰ। অৱশ্যে নিৰ্ধাৰিত সময় সূচীৰ পৰিৱৰ্তে ৪০ মিনিট সময় বেছিকৈ সময় দিয়ে শিক্ষকসকলে।

# কামপুৰত আসোঁৱাহৰ বাবে মুকলি নহ'ল ৰে'লৱেৰ উৰণ সেঁতু

**ই-সংবাদ, কামপুৰ, ২৭ ফেব্ৰুৱাৰীঃ** নগাঁও জিলাৰ কামপুৰ নগৰৰ মাজভাগত অৱস্থিত ৰে'ল গে'টখনৰ ফলত সৃষ্টি হোৱা তীব্ৰ যান-জঁটৰ সমস্যাৰপৰা ৰাইজক সকাহ দিবলৈ সেই সময়ৰ কেন্দ্ৰীয় ৰাজ্যিক ৰে'ল মন্ত্ৰী ৰাজেন গোহাঁয়ে আধাৰশিলা স্থাপন কৰা ৰে'ল বিভাগৰ বহু প্ৰত্যাশিত উৰণ সেঁতুখন আজি আনুষ্ঠানিকভাৱে মুকলি কৰিবৰ বাবে ৰে'ল বিভাগে যো-জা চলাইছিল যদিও ৰাইজে কিছু আসোঁৱাহ ৰৈ যোৱাৰ অভিযোগ উত্থাপন কৰাত সেঁতুখন মুকলি কৰা নহ'ল। কামপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় পথত ৰে'ল বিভাগৰ সংশ্লিষ্ট বিষয়াই সেঁতুখন মুকলি কৰিবৰ বাবে উপস্থিত হোৱাত নগৰখনৰ সচেতন ব্যক্তিসকলে নৱনিৰ্মিত সেঁতুখনৰ লগত সংলগ্ন হোৱা পথ আৰু সেঁতুৰ কাষৰ পথৰ সংযোগস্থলত যথোপযুক্ত পথ নিৰ্দেশনা নথকাত উক্ত স্থানত ভয়ংকৰ দুৰ্ঘটনা সংঘটিত হোৱাৰ আশংকা ব্যক্ত কৰি আজি সেঁতুখন মুকলি নকৰিবলৈ ৰে'ল বিভাগৰ বিষয়াক আহ্বান জনায়। তদুপৰি ৰাইজে ১ নং ৰে'ল গেটখন বন্ধ নকৰিবলৈও আহ্বান জনাইছে। অৱশ্যে ৰাইজৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই ৰে'ল বিভাগে পথটো বহল কৰি সঠিকভাৱে পথ নিৰ্দেশনা নিৰ্ধাৰিত কৰিবৰ বাবে ৰে'লৱেৰ মাটিত উচ্ছেদ চলায়। ৰে'ল বিভাগৰ বিষয়াই সংশ্লিষ্ট বিভাগসমূহৰ লগত আলোচনা কৰি আসোঁৱাহসমূহ দূৰ কৰি অতি শীঘ্ৰে উৰণ সেতুঁখন মুকলি কৰি দিব বুলি জানিবলৈ দিছে।

# ছিপাঝাৰ সমষ্টিত অসম গণ পৰিষদক পুনৰ প্ৰতিষ্ঠা কৰিবলৈ তৎপৰ জয়নাথ শৰ্মা

**ই-সংবাদ, পশ্চিম দৰং, ২৭ ফেব্ৰুৱাৰীঃ** নিৰ্বাচন বুলি ক'লেই গৰম তথা উত্তাল হৈ পৰা ছিপাঝাৰ সমষ্টিত অগপৰ দুৰ্গ পুনৰুদ্ধাৰৰ বাবে তৎপৰ হৈ পৰিছে একালৰ প্ৰাক্তন মন্ত্ৰী তথা ছিপাঝাৰৰপৰা চাৰিবাৰকৈ প্ৰতিনিধিত্ব কৰা ডঃ জয়নাথ শৰ্মা। অসম আন্দোলনৰ অন্যতম পটভূমি ছিপাঝাৰ '৮৫ৰপৰা সুদীৰ্ঘ বিশ বছৰ কাল আছিল অগপৰ অভেদ্য দুৰ্গ। য'ত অগপৰ হাতীৰ বাবে হৈ পৰিছিল অবাধ বিচৰণস্থলী। সমষ্টিটোত অগপৰ তদানীন্তন বিধায়ক জয়নাথ শৰ্মা হৈ পৰিছিল অপ্ৰতিৰোধ্য নেতা। কিন্তু নেতাগৰাকীৰ পাৰিবাৰিক সমস্যাৰ বাবে ৰাইজে বিচৰা ধৰণে সময় দিব নোৱাৰাত অগপৰ প্ৰভাৱ কিছু পৰিমাণে কমি অহাত ৰাইজে বিকল্প নেতাৰ চিন্তা কৰিবলৈ বাধ্য হৈ পৰে। কিন্তু পলমকৈ হ'লেও ছিপাঝাৰৰ আঞ্চলিকতাবাদী লোকসকলে



জয়নাথৰ দৰে শক্তিশালী নেতা এগৰাকীৰ অভাৱ অনুভৱ কৰি পুনৰ জয়নাথক সমষ্টিটোৰপৰা প্ৰতিনিধিত্ব কৰাটো বিচৰাত নেতাগৰাকীয়ে '৮৫ৰ তেজাল ডেকাৰ দৰে ছিপাঝাৰত অগপ উদ্ধাৰত দেহকেহে লাগি পৰিছে। গাঁৱে গাঁৱে মন্থন বৈঠক অনুষ্ঠিত কৰি দলটোক আগবঢ়ায় নিয়াৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে। ৰাইজে ভবামতেই পুনৰ নেতাগৰাকীক আদৰি লোৱাটো পৰিলক্ষিত হৈছে। ২০২৬ৰ বিধানসভা নিৰ্বাচনত ছিপাঝাৰত অগপৰ প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দ্বিতা কৰাৰ বাবে নেতাগৰাকী চলাইছে ব্যাপক কুচকাৱাজ। বিজেপিয়ে মিত্ৰতা সূত্ৰে এইবাৰ ছিপাঝাৰ অগপক এৰি দিয়াৰ দাবী জনাব বুলি নেতৃত্বই চিন্তা কৰা বুলি প্ৰকাশ। দৰঙত থকা বিধানসভা সমষ্টিসমূহৰ এটা সমষ্টি এইবাৰ অগপ জয়ী হ'ব পৰা সমষ্টি দলটোলৈ বিজেপিয়ে এৰি দিয়াৰ পূৰ্ণ সম্ভাৱনা থকাত ছিপাঝাৰেই অগপৰ জয়ৰ সম্ভাৱনা থকা সমষ্টি হিচাপে চিহ্নিত হোৱাত নেতাজনৰ বাবে আশা কঢ়িয়াই আনিছে। ইফালে, ছিপাঝাৰৰ আঞ্চলিকতাবাদক ভালপোৱা ভোটাৰ ৰাইজো উৎফুল্লিত হৈ পৰিছে। অসম বিধানসভাৰ মজিয়াত জয়নাথ শৰ্মাৰ দৰে এগৰাকী প্ৰতিনিধিৰ অভাৱ ছিপাঝাৰৰ ৰাইজে আজিও অনুভৱ কৰে।

# বৰমাত বিধ্বংসী অগ্নিকাণ্ডত জাহ গ'ল স্কুটি, ঘৰ-দুৱাৰ, নথি-পত্ৰ

## এমাহ পূৰ্বে মৃত্যু হৈছিল পৰিয়ালটোৰ মুৰব্বীৰ

**ই-সংবাদ, বৰমা, ২৭ ফেব্ৰুৱাৰীঃ** বাক্সাৰ জিলাৰ বৰমা আৰক্ষী থানাত অন্তৰ্গত মেদাঘাটত নিমিষতে জ্বলি চাৰখাৰ হ'ল এটা পৰিয়ালৰ বাসগৃহ। এই অগ্নিকাণ্ডত নিমিষতে জ্বলি ছাই হ'ল মেধাৱী ছাত্ৰী ধনমণি ৰামছিয়াৰীয়ে প্ৰজ্ঞান ভাৰতী আঁচনিৰ জৰিয়তে লাভ কৰা স্কুটীসহ সকলো গুৰুত্বপূৰ্ণ নথি-পত্ৰ। এমাহ পূৰ্বে আজিৰ দিনটোতে মেদাঘাটৰ এই পৰিয়ালটোৰ মুৰব্বী দ্বিপেন ৰামছিয়াৰীৰো মৃত্যু হৈছিল। এই শোকত ম্ৰিয়মান হৈ থকা অৱস্থাতেই পুনৰ পৰিয়ালটোলৈ নামি আহিল অমানিশা। দ্বিপেন ৰামছিয়াৰীৰ পত্নীয়ে মেদাঘাট চ'কত ক্ষুদ্ৰ ব্যৱসায় চলাই ডাঙৰ কন্যা ধনমনি ৰামছিয়াৰীক পঢ়ুৱাই আছে হিমাচল প্ৰদেশৰ মণ্ডী আই আই টিত। বৃহস্পতিবাৰে দুপৰীয়া বন্ধ ঘৰত জুই জ্বলি থকা দেখি হাহাকাৰ লাগে গাওঁবাসীৰ মাজত। ঘৰত কোনো নথকা অৱস্থাত কেনেকৈ জুইৰ সূত্ৰপাত হয় সেয়া জানিব পৰা হোৱা নাই। ঘটনাস্থলীত উপস্থিত ৰাইজে অগ্নিনিৰ্বাপক বাহিনীৰ ১০১ নম্বৰত যোগাযোগ কৰিছিল যদিও ৰিচিভ কৰা নাছিল ফোন। যাৰবাবে অগ্নিনিৰ্বাপক বাহিনীৰ বাহন পলমকৈ আহি পোৱাত সম্পূৰ্ণৰূপে জ্বলি ভস্মীভূত হয় ঘৰ, ধনমনি ৰামছিয়াৰীয়ে চৰকাৰৰপৰা লাভ কৰা স্কুটি আৰু গুৰুত্বপূৰ্ণ নথি-পত্ৰ। কোনোমতে পৰিয়াল পোহপাল দিয়া দুৰ্ভগীয়া পৰিয়ালটোৰ কাষত তাৎক্ষণিকভাৱে উপস্থিত হয় নিখিল বড়ো ছাত্ৰ সন্থাৰ বাক্সা জিলা সমিতি। নিথৰুৱা পৰিয়ালটোক বি টি চিৰ মুছলপুৰ পৰিষদীয় সমষ্টি আৰু বৰমা বিধানসভা সমষ্টিৰ জনপ্ৰতিনিধিক খবৰ লোৱাৰ বাবে আহ্বান জনায় বাক্সা জিলা নিখিল বড়ো ছাত্ৰ সন্থাই। উল্লেখ্য যে বৃহত্তৰ বৰমা অঞ্চলত মুছলপুৰ আৰু টিহুৰপৰা অগ্নিনিৰ্বাপক বাহিনীয়ে অগ্নি নিৰ্বাপন কৰে যদিও দূৰত্ব বেছি হোৱাৰ বাবে সময়মতে উপস্থিত হ'ব নোৱাৰে অগ্নিনিৰ্বাপক বাহিনী। বৰমাত এটা অগ্নিনিৰ্বাপক কেন্দ্ৰ সংস্থাপনৰো দাবী জনাই নিখিল বড়ো ছাত্ৰ সন্থাৰ লগতে বিভিন্ন দল-সংগঠনে।



চকলাঘাটৰ সোণাইপাৰ গৌৰীনাথ মন্দিৰত মহা শিৱৰাত্ৰি, ফটোঃ ই-সংবাদ, বেবেজীয়া

# চকলাঘাটৰ সোণাইপাৰ গৌৰীনাথ মন্দিৰত মহা শিৱৰাত্ৰি

**ই-সংবাদ, বেবেজীয়া, ২৭ ফেব্ৰুৱাৰীঃ** নগাঁও জিলাৰ পশ্চিম প্ৰান্তৰ হাতীচোং মৌজাৰ অন্তৰ্গত চকলাঘাটৰ ঐতিহ্যমণ্ডিত সোণাইপাৰ গৌৰীনাথ মন্দিৰত বিগত বৰ্ষবোৰৰ দৰে এইবেলি যোৱা মঙলবাৰৰপৰা সাতদিনীয়া বিস্তৃত কাৰ্যসূচীৰে উদযাপিত হৈছে শ্ৰীশ্ৰী মহা শিৱৰাত্ৰি মহোৎসৱ। এই মৰ্মে বিভিন্ন প্ৰান্তৰপৰা অহা ভক্তৰ উপস্থিতিৰে মন্দিৰ প্ৰাংগণ উদুলি-মুদুলি হৈ পৰাৰ লগতে এক আধ্যাত্মিক পৰিৱেশৰ সৃষ্টি হৈছে। নিজৰ মনোবাঞ্ছা পূৰণাৰ্থে দেৱাদিদেৱ মহাদেৱক পূজা-অৰ্চনা কৰাৰ মানসেৰে মন্দিৰত ভক্তসকলে ভিৰৰ সৃষ্টি কৰিছে। ধুমধামেৰে অনুষ্ঠিত এই মহা শিৱৰাত্ৰি মহোৎসৱৰ বৃহস্পতিবাৰে তৃতীয় দিনা পুৱাৰ ভাগত ভক্তগণৰ উপস্থিতিত যজ্ঞধ্বজা উত্তোলন কৰা হয়। এক গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত যজ্ঞধ্বজা উত্তোলন কৰে উৰিষ্যাৰপৰা যজ্ঞৰ বাবে অহা ৰামকৃষ্ণ পাণ্ডাই। ইয়াৰ পিছতে অঞ্চলৰ বহুসংখ্যক মহিলাৰ অংশগ্ৰহণেৰে আকৰ্ষণীয় জলাৰোহণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। জাতীয় সাজ-পাৰ পৰিধান কৰি মহিলাসকলৰ দ্বাৰা হাতে-হাতে কলচি লৈ সোণাই নদীৰ ঘাটৰপৰা পানী তুলি জলভাগ শোভাযাত্ৰাৰ দ্বাৰা মন্দিৰলৈ অনা হয়। জলাৰোহণৰ উক্ত নান্দনিক দৃশ্যই স্থানীয় অঞ্চল উজলাই তোলে। এই অনুষ্ঠানত উদযাপন সমিতিৰ বিষয়ববীয়া অজিত গোস্বামী, পংকজ শইকীয়া, ধীৰেন হাজৰিকা, চেনিৰাম দাস, শিৱ প্ৰসাদ বৰা, মোহন চন্দ্ৰ বৰা, শিৱকান্ত বৰা, উমাকান্ত ডেকা, মদন বৰকটকী, মন্দিৰৰ মুল পৰিচায়ক ধনটি বৰাকে ধৰি বহুকেইজন ব্যক্তি উপস্থিত থাকে। দুপৰীয়াৰপৰা একাদিক্ৰমে গুৰু পূজা, ধৰিত্ৰী পূজা, গো-পূজা, স্বৰ্ণ পূজা, মণ্ডপ পূজা আদি সম্পন্ন কৰা হয়। ফলত পুৰোহিতৰ মন্ত্ৰোচ্চাৰণ আৰু আয়তীৰ উৰুলি ধ্বনিৰে মন্দিৰ চৌহদ মুখৰিত হৈ পৰা দেখা যায়। মহোৎসৱৰ পৰৱৰ্তী দিনকেইটাত অন্যান্য অনুষ্ঠানৰ সমান্তৰালকৈ মন্দিৰ চৌহদত নিৰ্মাণ কৰি তোলা 'কৈলাশ'ৰ প্ৰাণ প্ৰতিষ্ঠা কৰা হ'ব বুলি মন্দিৰ পৰিচালনা সমিতিৰ সভাপতি মনেশ্বৰ কলিতা আৰু সম্পাদক পদ্মকান্ত বৰাই জানিবলৈ দিছে।

# ডিব্ৰুগড়ত মাঞ্জাৰ বিক্ৰী তথা ব্যৱহাৰত নিষেধাজ্ঞা জিলা প্ৰশাসনৰ

**ই-সংবাদ, ডিব্ৰুগড়, ২৭ ফেব্ৰুৱাৰীঃ** যিকোনো দুৰ্ঘটনা প্ৰতিৰোধৰ বাবে লগতে জনসাধাৰণৰ জীৱনৰ সুৰক্ষা প্ৰতি লক্ষ্য ৰাখি ডিব্ৰুগড় জিলাৰ জিলা দণ্ডাধীশ বিক্ৰম কৈৰীয়ে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা আইন ২০২৩ৰ ১৬৩ নং ধাৰাৰ অধীনত এক আদেশযোগে তাৎক্ষণিকভাৱে বলৱৎ হোৱাকৈ সমগ্ৰ জিলাতে চিলা উৰুৱাবলৈ নাইলনৰ মাঞ্জা আৰু কাঁচৰ গুৰি লগোৱা মাঞ্জাৰ ব্যৱহাৰ আৰু বিক্ৰী নিষিদ্ধ ঘোষণা কৰিছে। এনেধৰণৰ নাইলন সূতাৰ তথা কাঁচৰ গুৰি লগোৱা মাঞ্জা পৰিৱেশ আৰু পশু-পক্ষীৰ বাবেও অত্যন্ত ক্ষতিকাৰক। উল্লেখযোগ্য যে পৰৱৰ্তী আদেশ নিদিয়াপৰ্যন্ত এই নিষেধাজ্ঞা বাহাল থাকিব আৰু কোনো ব্যক্তিয়ে এই আদেশ অমান্য কৰিলে ভাৰতীয় ন্যায় সংহিতা ২০২৩ ৰ ২২৩ নং ধাৰৰ অধীনত শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

# লাহৰীঘাটত জিঅ' বেগৰ কাম পৰিদৰ্শন আমছুৰ

**ই-সংবাদ, লাহৰীঘাট, ২৭ ফেব্ৰুৱাৰীঃ** মৰিগাঁও জিলাৰ লাহৰীঘাটৰপৰা টেঙাগুৰি হৈ ভূৱাগাঁৰলৈ এ ডি বিৰ ২৫০ কোটি টকা প্ৰকল্পৰ অধীনত বৃহৎ নদীবান্ধৰ কাম তীব্ৰ গতিত চলি আছে। জিঅ' বেগৰ উক্ত কামটো ইতিমধ্যে লাহৰীঘাটৰ কাঠনি, টেঙাগুৰি ভূৱাগাঁৰত পূৰ্ণ গতিত চলি আছে নদী বান্ধৰ কাম। বুধবাৰে লাহৰীঘাট সমজিলা অন্তৰ্গত ভূৱাগাঁৰৰ খহনীয়াগ্ৰস্ত অঞ্চলত চলি থকা গৰাখহনীয়া ৰোধৰ কামৰ বুজ লয় মৰিগাঁও জিলা আমছু, জিলাখনৰ আঞ্চলিক পৰ্যায়ৰ আৰু লাহৰীঘাট আঞ্চলিক আমছুৰ এটি সঁজাতি দলে। সঁজাতিৰ দলটোত কেন্দ্ৰীয় সমিতিৰ সহঃ সাধাৰণ সম্পাদক ইক্ৰামুল হুছেইন, জিলা সমিতিৰ সভাপতি হাৰুন অল ৰশ্বিদ, উপ-সভাপতি ৰাজদুল ইছলাম, জিলা সমিতিৰ সাঃ সম্পাদক ৰফিকুল ইছলাম, মিনাৰুল হকৰ লগতে জিলাখনৰ আঞ্চলিকৰ আমছু-কৰ্মীসকলো উপস্থিত থাকে। দলটোৱে জিঅ' বেগৰ কাম পৰিদৰ্শন কৰি বুজ লোৱাৰ লগতে বাৰিষা অহাৰ আগতেই কাম শেষ কৰিবলৈ অনুৰোধ জনাই প্ৰশাসনক। নহলে বানত অঞ্চলটো বিধ্বস্ত হৈ পৰাৰ আশংকা কৰে আমছুৰ নেতৃবৰ্গই।

# যোৰহাটৰ কল্যাণীত অনুষ্ঠিত বিজ্ঞান দিৱসত খ্যাতিসম্পন্ন উদ্ভাৱক উদ্ধৱ ভৰালী

**ই-সংবাদ, বাহনা, ২৭ ফেব্ৰুৱাৰীঃ** উত্তৰ যোৰহাটৰ কল্যাণী বাল্যভৱন ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ ৰূপালী জয়ন্তী উদযাপন সমিতি আৰু যোৰহাট জিলা আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰসমূহৰ উদ্যোগত আজিৰ পৰা কল্যাণীত দুদিনীয়াকৈ ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস আৰম্ভ হৈছে। দিৱস উপলক্ষে আজি যোৰহাট জিলাৰ বিদ্যালয়সমূহৰ অষ্টমৰপৰা একাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত নগদ ধনৰ পুৰস্কাৰৰ বিজ্ঞান মডেল প্ৰতিযোগিতা অনুষ্ঠিত হয়। আজিৰ অনুষ্ঠান উদ্বোধন কৰে অসম বিজ্ঞান সমিতিৰ প্ৰাক্তন সভাপতি ড° প্ৰমোদ চন্দ্ৰ নেওগে। কল্যাণী সমাজ কল্যাণ কেন্দ্ৰৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত অনুষ্ঠানত নিৰ্দিষ্ট বক্তাৰূপে অংশগ্ৰহণ কৰি আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন উদ্ভাৱক উদ্ধৱ কুমাৰ ভৰালীয়ে ছাত্ৰ-ছাত্ৰীসকলক সকলো কথাতে আচৰিত হ'ব লাগিব বুলি ব্যক্ত কৰে। বিজ্ঞান মানসিকতা আৰু ইয়াৰ ব্যৱহাৰিক প্ৰয়োগ বিষয়ত বক্তৃতা প্ৰদান কৰি ১৮০ টাৰো অধিক উদ্ভাৱনেৰে বিশ্বত অসমক গৌৰৱান্বিত কৰা ভৰালীয়ে প্ৰকৃতিক অনুসৰণ কৰিয়েই বিজ্ঞানে দুৰন্ত গতি লাভ কৰিছে বুলি কয়। তেওঁ ছাত্ৰ-ছাত্ৰীক প্ৰকৃতিৰ ঘটনা-পৰিঘটনা সূক্ষ্মভাৱে পৰ্যবেক্ষণ কৰিবলৈ আহ্বান জনায়। আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ সমন্বয়ক হেমেন কুমাৰ শইকীয়াই আঁতধৰা, উদযাপন সমিতিৰ সম্পাদক নিযুত কুমাৰ দত্তই উদ্দেশ্য ব্যাখ্যা কৰা আৰু বিদ্যালয়ৰ অধ্যক্ষা বিশ্বজিতা বৰপূজাৰীয়ে আদৰণী ভাষণ প্ৰদান কৰা সভাত অসম সাহিত্য সভাৰ বাসন্তী বৰদলৈ বঁটাপ্ৰাপক নলিনীবালা হাজৰিকা, উদ্ধৱ কুমাৰ ভৰালী, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° শ্যামাপ্ৰসাদ বিশ্বাসক উদযাপন সমিতিয়ে সম্বৰ্ধনা জনায়। সম্বৰ্ধনা অনুষ্ঠান পৰিচালনা কৰে বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ড° হেমেন শইকীয়াই। উদযাপন সমিতিৰ সভাপতি নুৰুজ জামানৰ সভাপতিত্বত অনুষ্ঠিত সভাত ড° সন্তোষ কুমাৰ আবুজাম, ড° বুধিন গগৈ, ড° হেমেন শইকীয়াৰ দক্ষতা বিকাশ সম্পৰ্কীয় এখন গ্ৰন্থ ড° শ্যামাপ্ৰসাদ বিশ্বাসে উন্মোচন কৰে। বিদ্যালয় সংগীতেৰে শুভাৰম্ভ হোৱা সভাত কেপ্টেইন বিপিন হাজৰিকা, অৱসৰপ্ৰাপ্ত অধ্যাপক ড° অনিল চন্দ্ৰ গগৈ, বাহনা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° প্ৰসন্ন কুমাৰ দত্ত, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ যোৰহাট জিলাৰ প্ৰাক্তন সভাপতি প্ৰণৱ শইকীয়া, আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ জিলা সমন্বয়ক ধীৰেন্দ্ৰ কুমাৰ গগৈ প্ৰমুখ্যে বিভিন্নজন উপস্থিত থাকে। কাইলৈ বিজ্ঞান দিৱসৰ মূল সভাত অংশগ্ৰহণ কৰি জিলা আয়ুক্ত জয় শিৱানীয়ে বিদ্যালয়খনৰ গ্ৰন্থাগাৰ উদ্বোধন কৰিব। অনুষ্ঠানত ড° জীৱন চন্দ্ৰ শৰ্মা কটকী বিজ্ঞান প্ৰসাৰ বঁটা বিজ্ঞানকৰ্মী ভৃগুপতি হাজৰিকাক প্ৰদান কৰা হ'ব। প্ৰবীণ বৰুৱাৰ সভাপতিত্বত হ'বলগীয়া সভাত নিৰ্দিষ্ট বক্তাৰূপে ড° প্ৰমোদ চন্দ্ৰ তামুলী (মৌচাক মামা), বিদ্যালয় পৰিদৰ্শক বুলি ভূঞা গগৈ, ড° অদিতি বেজবৰুৱা প্ৰমুখ্যে বিভিন্নজনে অংশগ্ৰহণ কৰিব।

---

## যৌতুক বিচাৰি দাবী কৰিছিল দুই লাখ টকা! স্বামীৰ বিৰুদ্ধে হত্যাৰ অভিযোগ

# নৱবিবাহিতাৰ মৃত্যুক লৈ মঙলদৈৰ বঙলপোতাত চাঞ্চল্য

**ই-সংবাদ বিশেষ, মঙলদৈ, ২৭ ফেব্ৰুৱাৰীঃ** মঙলদৈ থানাৰ অন্তৰ্গত ২ নম্বৰ ধৰিয়াখাইটীৰ বঙলপোতা গাঁৱত বুধবাৰে যৌতুকৰ বাবে এগৰাকী নৱবিবাহিতা বোৱাৰীক স্বামী আৰু শহুৰেক-শাহুৱেকে হত্যা কৰি ওলমাই থোৱাৰ অভিযোগ উঠিছে। জানিব পৰা মতে, আলগাচৰৰ বাসিন্দা দিন হাজিৰা কৰি পেট পবৰ্তোৱা মহৰুদ্দিনৰ কন্যা বাতাচি বেগম (১৯)ক চাৰিমাহ পূৰ্বে ধৰিয়াখাইটীৰ বঙলপোতা গাঁৱৰ মজি বেপাৰীৰ পুত্ৰ আবুল হুছেইনলৈ বিয়া দিছিল। নৱ বিবাহিতা পত্নীক বিয়াৰ পিছৰপৰাই স্বামী আবুল হুছেইন আৰু তেওঁৰ পিতৃ-মাতৃয়ে যৌতুকৰ দাবীৰে শাৰীৰিক-মানসিক অত্যাচাৰ চলাইছিল বুলি পৰিয়ালৰ লোকে অভিযোগ উত্থাপন কৰিছে। ইয়াৰ উপৰি দুদিন পূৰ্বে আবুল হুছেইনে শহুৰেকলৈ ফোন কৰি ২ লাখ টকাৰ দাবী কৰিছিল বুলি এক সূত্ৰত প্ৰকাশ। দাবী কৰা ধন নিদিলে পত্নীক হত্যা কৰা হ'ব বুলি আগতেই ধমক দিছিল বুলি অভিযোগ কৰে বাতাচি বেগমৰ পৰিয়ালে। বুধবাৰেও বাতাচি বেগমে বাপেকক ফোন কৰি স্বামীয়ে মাৰধৰ কৰা বুলি কৈ পিতৃৰ গৃহলৈ লৈ যাবলৈ অনুৰোধ কৰে। কিন্তু পিতৃয়ে নিজৰ ছোৱালীজনীক ঘৰলৈ নিয়াৰ পূৰ্বেই স্বামী আৰু তেওঁৰ পৰিয়ালে বাতাচি বেগমক হত্যা কৰি ঘৰৰ ভিতৰত ওলমাই থৈ আত্মহত্যাৰ ৰহণ সানে বুলি বাতাচিৰ পৰিয়ালে মঙলদৈ থানাত এজাহাৰ দাখিল কৰে। ঘটনাৰ খবৰ পাই আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰি মঙলদৈ অসামৰিক চিকিৎসালয়ত মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে। বাতাচিৰ পিতৃ মহৰুদ্দিনে মঙলদৈ থানাত আবুল হুছেইনৰ লগতে তেওঁৰ পিতৃ-মাতৃ মজি বেপাৰী আৰু সুন্দৰী খাতুনৰ বিৰুদ্ধে গোচৰ দিয়ে। বাতাচিৰ স্বামী প্ৰথম অৱস্থাত পলাতক হৈ আছিল যদিও আজি বিয়লি মঙলদৈ থানাত হাজিৰ হোৱা বুলি জানিব পৰা গৈছে। এতিয়া আৰক্ষীয়ে উচিত তদন্ত কৰি দোষীক উপযুক্ত শাস্তি প্ৰদান কৰাৰ দাবী জনাইছে ভুক্তভোগী পৰিয়ালটোৱে।

---

# বৈঠালাংছ'ৰ বৰপথাৰত ভাগৱত পাঠৰ আয়োজন

**ই-সংবাদ, বৈঠালাংছ', ২৭ ফেব্ৰুৱাৰীঃ** পশ্চিম কাৰ্বি আংলং জিলাৰ বৃহত্তৰ বৈঠালাংছ' অঞ্চলৰ বৰপথাৰ নাথগাঁও নামঘৰ সমাজে অহা ৩ মাৰ্চৰপৰা চাৰিদিনীয়াকৈ আয়োজন কৰিছে দ্বিতীয় বাৰ্ষিক ভাগৱত পাঠ আৰু ব্যাখ্যা অনুষ্ঠান। বিভিন্ন জাতি-জনগোষ্ঠীৰ ধৰ্মপ্ৰাণ ভকত-বৈষ্ণৱৰ অংশগ্ৰহণেৰে অনুষ্ঠিতব্য ধৰ্মীয় অনুষ্ঠানভাগৰ প্ৰস্তুতি প্ৰায় তুংগত উঠিছে। বৃহত্তৰ বৰপথাৰ অঞ্চলৰ জ্যেষ্ঠ-কনিষ্ঠ তথা যুৱক-যুৱতীসকলে নামঘৰ চৌহদ সজাই-পৰাই তুলিবলৈ পূৰ্ণোদ্যমে কাম-কাজ অব্যাহত ৰাখিছে। ধৰ্মীয় কাৰ্যসূচী অনুসৰি ৩ মাৰ্চৰ পুৱা নামাচাৰ্য পুষ্পেন্দ্ৰ নাথৰ পৰিৱেশনেৰে প্ৰাতঃপ্ৰসঙ্গ অনুষ্ঠিত হোৱাৰ পিছত বন্তি প্ৰজ্বলন তথা শৰাই স্থাপন কৰিব ক্ৰমে শুভকান্ত নাথ আৰু ঘনশ্যাম বৰুৱাই। ইয়াৰ পিছত বিশিষ্ট সমাজসেৱক হৰিনাৰায়ণ দেৱনাথে ধৰ্মধ্বজা উত্তোলন কৰি ধৰ্মীয় অনুষ্ঠানৰ শুভাৰম্ভণি কৰিব। দিনৰ দহ বজাৰ পৰা যদু নাথে ভাগৱত পাঠ কৰাৰ অন্তত খোল-প্ৰসংগ অনুষ্ঠিত হ'ব। ইয়াৰ পিছত মূল ভাগৱত পাঠৰ উদ্বোধন কৰিব প্ৰবীণ কুমাৰ নাথে আৰু ব্যাখ্যা কৰিব অমূল্য ৰাজবংশীয়ে। দ্বিতীয় দিনা পুৱা প্ৰাতঃপ্ৰসংগ, শৰাই স্থাপন কৰাৰ পিছত ভাগৱত পাঠ আৰু ব্যাখ্যা অনুষ্ঠান অনুষ্ঠিত কৰা হ'ব। সন্ধিয়া নামঘৰীয়া বুবুল শইকীয়াই বন্তি প্ৰজ্বলন কৰাৰ পিছত ব্যাখ্যাকাৰ তথা ভাগৱত ৰসসিন্ধু সত্ৰাধিকাৰ ৰিজু পাঠক মহন্তৰ দ্বাৰা পাঁচ বজাত ভাগৱত পাঠ আৰু ব্যাখ্যা অনুষ্ঠান অনুষ্ঠিত কৰা হ'ব। আনহাতে, তৃতীয় দিনা পুৱা প্ৰাতঃপ্ৰসংগ আৰু শৰাই স্থাপন কৰাৰ পিছত ভাগৱত পাঠ আৰু ব্যাখ্যা অনুষ্ঠান অনুষ্ঠিত কৰা হ'ব। নিশা আঠ বজাত ৰূপম নাথৰ নেতৃত্বত সংগীবৃন্দই গুণমালা কীৰ্তন পৰিৱেশন কৰিব। উল্লেখযোগ্য যে ভাগৱত পাঠ আৰু ব্যাখ্যা অনুষ্ঠানৰ অন্তিম দিনা বিভিন্ন প্ৰান্তৰ ভকত-বৈষ্ণৱ তথা ধৰ্মপ্ৰাণ ৰাইজৰ অংশগ্ৰহণেৰে পুৱা দহ বজাত ভাগৱত লৈ ধৰ্মীয় শোভাযাত্ৰা উলিওৱা হ'ব। ইয়াৰ পিছত দুপৰীয়া বাৰপুজীয়া নামতি দলে পৰিৱেশন কৰিব সবহুৱা নাম-কীৰ্তন। উক্ত চাৰিওদিনৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈ বৰপথাৰ নাথগাঁও নামঘৰ সমাজে ধৰ্মপ্ৰাণ ৰাইজলৈ আহ্বান জনাইছে।

# নগাঁৱত আন্তঃক্লাব ক্ৰিকেট লীগৰ আকৰ্ষণীয় খেল

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ২৭ ফেব্ৰুৱাৰীঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত চলি থকা সহজানন্দ ওজা সোঁৱৰণী আন্তঃক্লাব ক্ৰিকেট লীগ (ক্লাষ্টাৰ-২)ৰ গ্ৰুপ-এৰ আজিৰ খেলত সূৰ্য্যোদয়ে ভাইকিংছ ক্লাবক চাৰি উইকেটত হৰুৱাই সম্পূৰ্ণ পইণ্ট অৰ্জন কৰিছে। মুঠ ৮টা ক্লাবৰ যোগদানৰে আয়োজিত এই লীগৰ গ্ৰুপ-এত থকা ভাইকিংছ ক্লাব, সান্নিধ্য, সূৰ্য্যোদয় আৰু নগাঁও ইলাইট ক্লাবে এই পৰ্যন্ত দুখনকৈ খেলৰ পৰা এখনত জয়ী হৈ প্ৰত্যেকেই দুই পইণ্টকৈ সংগ্ৰহ কৰিছে। চাৰিওটা দলৰে এখনকৈ খেল খেলিবলৈ এতিয়াও বাকী আছে আৰু সেই খেলৰ পৰাই গ্ৰুপ- এৰ পৰা ছেমিফাইনেল খেলিবলগীয়া দল দুটা নিৰ্ণীত হ'ব। আনহাতে, গ্ৰুপ-বিত এই পৰ্যন্ত লাইফ লাইন আৰু বগৰিগুৰি এডভাঞ্চ একাডেমী দল দুটাই দুই পইণ্টকৈ সংগ্ৰহ কৰাৰ বিপৰীতে নগাঁও টাউন ক্লাব আৰু নগাঁও ৰাজস্থানী যুৱক সংঘই কোনো পইণ্ট লাভ কৰিব পৰা নাই। ইপিনে, আজি গ্ৰুপ- এৰ গুৰুত্বপূৰ্ণ খেলখনত ভাইকিংছ ক্লাবে পোনতে বেট ধৰি ২০ অভাৰত নটা উইকেট হেৰুৱাই ১৩৫ ৰাণ সংগ্ৰহ কৰিছিল। প্ৰত্যুত্তৰত সূৰ্য্যোদয় দলটোৱে ১৭.২ অভাৰতে ছটা উইকেটৰ বিনিময়ত ১৩৯ ৰাণ সংগ্ৰহৰে বিজয় লক্ষ্য অতিক্ৰম কৰে।

# বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ ৮টা পদক লাভ

**ই-সংবাদ, কোকৰাঝাৰ, ২৭ ফেব্ৰুৱাৰীঃ** পঞ্জাৱৰ চণ্ডীগড় বিশ্ববিদ্যালয়ত যোৱা ২২ ফেব্ৰুৱাৰীৰ পৰা ২৭ ফেব্ৰুৱাৰীলৈ অনুষ্ঠিত হোৱা সদৌ ভাৰত আন্তঃ বিশ্ববিদ্যালয় উশ্বু প্ৰতিযোগিতাত বড়োলেণ্ড বিশ্ববিদ্যালয়ে অংশগ্ৰহণ কৰি দুটা সোণ, এটা ৰূপ আৰু পাঁচটা ব্ৰঞ্জৰ পদক অৰ্থাৎ সৰ্বমুঠ ৮টা পদক লাভ কৰিবলৈ সক্ষম হৈছে। বড়োলেণ্ড বিশ্ববিদ্যালৰ ছাত্ৰী ডেইজী ৰাভা আৰু দমন্তী বৰ্মনে সোণৰ পদক, ছাত্ৰী চিবিকা ৰামচিয়াৰীয়ে ৰূপৰ পদক, ছাত্ৰ হেমশ্ৰাং ব্ৰহ্মাই দুটা ব্ৰঞ্জৰ পদক, ছাত্ৰ কমল কুমাৰ বড়োৱে দুটা ব্ৰঞ্জৰ পদক আৰু ছাত্ৰী আজলী দৈমাৰীয়ে এটা ব্ৰঞ্জৰ পদক লাভ কৰি বিশ্ববিদ্যালয়খনলৈ গৌৰৱ কঢ়িয়াই আনিছে। ইপিনে বিশ্ববিদ্যালয়খনৰ ছাত্ৰ কল্যাণ পৰিষদৰ সঞ্চালক প্ৰহ্লাদ বসুমতাৰীয়ে পদক বিজেতাসকললৈ শুভেচ্ছা জ্ঞাপন কৰে।



বাংগালুৰুত ডব্লিউপিএলত আৰচিবিৰ উইকেট দখলৰ পিছত উদযাপন গুজৰাট জায়াণ্টৰ কাশৱী গৌতমৰ

## হেঁপাহেৰে চেম্পিয়নছ ট্ৰফীৰ আয়োজন কৰিও নিৰাশ হ'ল পাকিস্তান

# শূন্য হাতেৰেই পাকিস্তানে সামৰণি মাৰিলে চেম্পিয়নছ ট্ৰফীৰ যাত্ৰা

**ৰাৱালপিণ্ডি, ২৭ ফেব্ৰুৱাৰীঃ** প্ৰায় তিনি দশকৰ পাছত নিজৰ মাটিত আইচিচি প্ৰতিযোগিতা আয়োজন কৰিও এখন মেচত জয়ী নোহোৱাকৈ যাত্ৰা সামৰিবলগীয়া হ'ল পাকিস্তানে। আয়োজক দলটোৱে আজি চেম্পিয়নছ ট্ৰফীত গ্ৰুপৰ 'লাষ্টবয়' হিচাপেও অন্ত পেলায় প্ৰতিযোগিতাৰ। বাংলাদেশৰ ক্ষেত্ৰতো একেই কথা। দুয়োটা দলে অন্ততঃ চূড়ান্ত খেলখনত জয়ৰ সোৱাদ ল'ব বুলি আশা কৰিছিল। কিন্তু প্ৰকৃতিৰ খেলে সকলো পৰিকল্পনা নষ্ট কৰি পেলালে। বৃহস্পতিবাৰে ৰাৱালপিণ্ডিত বৰষুণৰ বাবে পাকিস্তান বনাম বাংলাদেশৰ খেলখন বাতিল কৰা হয়। উল্লেখ্য যে, বিগত কিছুদিন ধৰি ৰাৱালপিণ্ডিত অবিৰতভাৱে বৰষুণ দি আহিছে। ইয়াৰ পূৰ্বে দক্ষিণ আফ্ৰিকা আৰু অষ্ট্ৰেলিয়াৰ মাজত খেলখনো একে কাৰণতে বাতিল কৰিবলগীয়া হৈছিল। বৃহস্পতিবাৰে পুৱাৰে পৰা প্ৰচণ্ড বৰষুণ আৰেলিলৈ শাম কাটিব বুলি আশা কৰা হৈছিল যদিও শেষ মুহূৰ্তত বতৰৰ বাবে মেচ ৰেফাৰী আৰু আম্পায়াৰে মেচ বাতিল কৰাৰ কথা ঘোষণা কৰে। লক্ষ্যণীয় যে, প্ৰতিযোগিতাৰ ক্ষেত্ৰত এই মেচখনৰ বিশেষ গুৰুত্ব নাছিল। কাৰণ ভাৰত আৰু নিউজিলেণ্ডে ইতিমধ্যে গ্ৰুপ এৰ পৰা ছেমি ফাইনেলৰ টিকট নিশ্চিত কৰিছে। অৱশ্যে পাকিস্তান আৰু বাংলাদেশৰ ক্ৰিকেট অনুৰাগীৰ বাবে এই খেলখন আছিল সন্মানৰ যুঁজ। দুয়োটা দলে অন্ততঃ এটা জয়েৰে প্ৰতিযোগিতাখন সমাপ্ত কৰাৰ সুযোগ পাইছিল। খেলখন বাতিল হোৱাৰ বাবে দুয়োটা দলে এক পইণ্ট লাভ কৰে। সেইটোৱেই আছিল প্ৰতিযোগিতাখনত ৰিজৱান আৰু সৌম্য সৰকাৰৰ দলৰ একমাত্ৰ কৃতিত্ব। বৰ্তমান নিউজিলেণ্ড ৪ পইণ্টেৰে গ্ৰুপ এৰ শীৰ্ষত আছে। সমান পইণ্ট থকাৰ পাছতো নেট ৰান ৰেটত পিছ পৰি থকাৰ বাবে ভাৰত আছে দ্বিতীয় স্থানত। এতিয়া নিউজিলেণ্ডৰ সৈতে মুখামুখি হ'ব ভাৰতীয় দল।

ALLEN EDUCARE
HOUSE NO.: 4, GUWAHATI COLLEGE ROAD,
JYOTINAGAR (NEAR PUB GUWAHATI HIGH SCHOOL)
COMPUTER & MONTESSORY TEACHER TRAINING COURSE
COMPUTER
BCA
DCA
PGDCA
DTP
ADCA
MONTESSORY TEACHER TRAINING COURSE
LESSON PLANS
PRESENTATION CLASS
INTERVIEW SESSION
MOTOR SKILL DEVELOPMENT
HOW TO CREATE PROFESSIONAL BIO DATA
PLACEMENT 100% GUARANTEE
CONTACT US +91 78965-45243
ADMISSION GOING ON

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি